# বাণিজ্য দৰ্পণ

ৰূপালী জয়ন্তী বৰ্ষ

১৯৯২-৯৩ চন



সম্পাদনাত ঃ

শ্ৰীগিয়াছ আলি

# বাণিজ্য দৰ্পণ

কানৈ বাণিজ্য মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

## ৰূপালী জয়ন্তী বৰ্ষ

১৯৯২-৯৩ চন ।

সম্পাদক ঃ শ্ৰীগিয়াছ আলি

# — উছৰ্গা —

অসমৰ জাতীয় বিপ্লৱত অকালতে প্ৰাণ আহুতি দিয়া সেই সকল বীৰ শ্বহীদৰ পবিত্ৰ স্মৃতিত ।



## পৰিচালনা সমিতি

### ১৯৯২-৯৩ চন

শ্ৰীযুত দেৱৰঞ্জন ধৰ
উপদেষ্টা

নিৰাজনা মহন্ত বেজবৰা
উপদেষ্টা

শ্ৰীযুত ঘনশ্যাম অধিকাৰী
উপদেষ্টা

শ্ৰীযুত গিয়াছ আলি
সম্পাদক

শ্ৰীযুত বিশ্বজিত হাজৰিকা
সদস্য

প্ৰচ্ছেদপটৰ পৰিকল্পনা : সম্পাদক

ছপা :
কিৰণ প্ৰিণ্টাৰ্চ, ডিব্ৰুগড়

কৃতজ্ঞতা

কিৰণ প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰী শ্ৰীভবেশ কুমাৰ আৰু কৰ্মীবৃন্দ ।

# সম্পাদকীয়

## প্ৰসঙ্গ ঃ আমাৰ বৰ্ত্তমান শিক্ষা ব্যৱস্থা —

বৰ্ত্তমান অসমৰ শিক্ষা ব্যৱস্থাৰ মাজেদিয়েই বহুতু ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰি মহা-বিদ্যালয়ৰ ডিগ্ৰীলাভ কৰিবলৈ সমৰ্থ হৈছে । ইয়াৰে কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বিশ্ববিদ্যালয় কেইখনৰ উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ সুবিধা পায় আৰু অধিকাংশ ছাত্ৰ-ছাত্ৰীয়েই এই উচ্চ শিক্ষাৰ পৰা বঞ্চিত হৈছে । সেয়েহে অধিকাংশ স্নাতক ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰীয়েই আজি অনিশ্চিত ভৱিষ্যতৰ দুঃ চিন্তাৰ গৰাহত । ইয়াৰ প্ৰধান কাৰণ উপযুক্ত নেতৃত্বৰ অভাৱ । উপযুক্ত নেতৃত্বৰ অভাৱৰ ফলতেই উপযুক্ত শিক্ষাৰ মাধ্যমবোৰ পিছবাত ছাত্ৰ-ছাত্ৰী সকলৰ অসুবিধা হয় । অসমৰ বাহিৰৰ ৰাজ্য সমূহত আত্ম সংস্থাপনৰ বাবে বিভিন্ন বিষয়ৰ শিক্ষাৰ ব্যৱস্থা আছে । এই শিক্ষাৰ বিভিন্ন দিশ সমূহৰ ওপৰত জ্ঞান থকা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও তেনেই তাকৰ । সেইবাবেই অধিকাংশ ছাত্ৰ-ছাত্ৰীয়েই স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছতেই শিক্ষাৰ সামৰণি মাৰিব লগীয়া হয় । যাৰ ফলত দেশখনত স্নাতক ডিগ্ৰী ধাৰী নিবনুৱাৰ সংখ্যাবো বৃদ্ধি হৈছে । ইয়াৰ কাৰণ হ'ল বৰ্ত্তমান অসমৰ শিক্ষা ব্যৱস্থাই কৰ্মময় জীৱনৰ উপযুক্ত বাতাবৰণ গঢ়ি তুলিব পৰা নাই । বৰ্ত্তমান বিজ্ঞানৰ যুগত উপযুক্ত শিক্ষাৰ অবিহনে সমাজত নিজকে প্ৰতিষ্ঠিত কৰা বৰ কঠিন । ইয়াৰ বাবে আজি আমাক এক শুদ্ধ শৈক্ষিক নেতৃত্বৰ প্ৰয়োজন হৈছে । আমাৰ এই প্ৰয়োজনীয়তা খিনি পূৰণ কৰিবলৈ হলে সংশ্লিষ্ট সকলোৱে মানৱীয় দৃষ্টিকোনেৰে আগবাঢ়ি আহি এক সুস্থ শৈক্ষিক বাতা-বৰণ গঢ়ি তুলাত সহায় কৰিব লাগিব ।

## প্ৰসঙ্গ ঃ আলোচনী ঃ-

কানৈ বানিজ্য মহাবিদ্যালয়ৰ আলোচনী খনৰ সম্পাদনাৰ গধুৰ দায়িত্ব বহন কৰিবলৈ পাই মই সুখী হৈছো । এখন মহাবিদ্যালয়ৰ পৰিচয় মহাবিদ্যালয় খনৰ আলোচনী খনৰ জৰিয়তে প্ৰকাশ পায় । আলোচনীখনৰ জৰিয়তে বহুতো নবীন লেখক লেখিকাই নিজকে আত্ম প্ৰকাশ কৰিবলৈ সুবিধা পোৱাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলে নিজৰ প্ৰতিভাৰ স্বীকৃতি ও দাভি ধৰিব পাৰে ।

এখন আলোচনী সুন্দৰকৈ প্ৰকাশ কৰিবলৈ হলে সকলোৱে সহযোগিতাৰ প্ৰয়োজনৰ লগতে বিত্ত ব্যৱস্থাও ভাল হব লাগিব । আলোচনীখনৰ প্ৰকাশৰ দায়িত্ব কেৱল সম্পাদকৰ ওপৰতেই নিৰ্ভৰ নকৰে । শিক্ষক তথা ছাত্ৰ সমাজৰ যুটিয়া প্ৰচেষ্টাৰ ফলতে এখন উন্নত মানদণ্ডৰ

আলোচনীৰ প্ৰকাশৰ সম্ভৱ হয় । আলোচনীখনৰ বাবে প্ৰধানকৈ উন্নত মানদণ্ডৰ লেখাৰ আৱশ্যক হয় । **অতি দুখৰ** বিষয় যে, আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে কেৱল বাণিজ্য শিক্ষাৰ ভিতৰতেই নিজক আবদ্ধ ৰাখে, সাহিত্য চৰ্চাৰ ক্ষেত্ৰত একেবাৰেই পিছ পৰা । বহুদিন অপেক্ষা কৰাৰ পাছত মই যিবোৰ প্ৰবন্ধ আদি পাইছিলোঁ। তাৰে অধিকাংশই প্ৰকাশৰ বাবে উপযুক্ত বিবেচিত নহল । সেয়েহে আগৰ কেইবছৰৰ দৰে এই বছৰো বহু চেষ্টা কৰাৰ পাছতো আলোচনীখন পলমকৈহে প্ৰকাশ কৰিব লগীয়া হ'ল । তাৰ বাবে মই দুঃখিত ।

**কৃতজ্ঞতা স্বীকাৰ :—** আলোচনী খন প্ৰকাশৰ বাবে যসকলে বিভিন্ন ধৰণৰ লেখা দি সহায় কৰিলে তেখেত সকলেলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। আলোচনীখন প্ৰকাশ কৰি উলিওৱাত পৰিচালনা সমিতিৰ বিষয় ববীয়াসকল ক্ৰমে অধ্যাপক ড° দেৱৰঞ্জন ধৰ, অধ্যাপক শ্ৰীযুত ঘনশ্যাম অধিকাৰী অধ্যাপিকা ড° নিৰঞ্জনা মহন্ত বেজবৰা তথা মোৰ বন্ধু শ্ৰী বিশ্বজিৎ হাজৰিকাই যি দিহা পৰামৰ্শৰ লগতে যাবতীয় সহায় আগবঢ়ালে তাৰবাবে মই চিৰ কৃতজ্ঞ । মোৰ সীমিত জ্ঞানেৰে এই আলোচনীখনৰ সম্পাদনাত নানান ত্ৰুটি থাকি যাব পাৰে তাৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলো । যি সকলৰ লেখা সমূহ প্ৰকাশৰ বাবে উপযুক্ত বিবেচিত নহল তেখেত সকলৰ প্ৰতি মোৰ এটাই অনুৰোধ, তেখেত সকলে আক্ষেপ নকৰি ধৈৰ্য্যৰে নিজৰ সাহিত্য চৰ্চা অক্ষুন্ন ৰাখিবেন। শেষত ''বাণিজ্য দৰ্পন''ৰ উন্নতি কামনা কৰি মোৰ সম্পাদকীয় সামৰণি মাৰিলো ।

জয়তু কানৈ বাণিজ্য মহাবিদ্যালয়

শ্ৰীগিয়াছ আলি

সম্পাদক

# সূচীপত্ৰ


পৃষ্ঠা —

প্ৰবন্ধ —

[১] মহান স্ৰষ্টাৰ অমৰ সৃষ্টি — অধ্যাপক, ভূপেশ ভাগৱতী

[৬] ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতিত ইছলাম ধৰ্মৰ অবিহনা — অধ্যাপক, ইমৰান হুছেইন

[১১] জীৱন-স্মৃতি — অধ্যাপিকা, ইন্দুপ্ৰভা বৰঠাকুৰ

গল্প —

[১৪] অষ্ট্ৰেলিয়াৰ পৰা — শ্ৰীভুবন জ্যোতি বৰুৱা

[১৬] পিতাইলৈ পত্ৰ [ ৰসৰচনা ] — শ্ৰীবিদিপ দুৱৰা

[১৭] মালবিকা সংসাৰ [ গল্প ] — শ্ৰীবিশ্ববিজয় ফুকন

[২১] টি, বি, [ গল্প ] — শ্ৰীনবীন দিহিঙ্গীয়া

[২৪] ধাব বুজি থেও [ চুটি গল্প ] — শ্ৰীবিক্ৰম পেয়ং

[২৭] বোকাৰ পদুম [ " ] — শ্ৰীপল্লৱ শৰ্ম্মা

[৩১] টেক্সি ড্ৰাইভাৰ [ " ] — শ্ৰীৰাজু ফুকন

[ কবিতা ]

[৩৩] চাহ শ্ৰমিক — শ্ৰীদীপাঙ্কৰ ব্ৰহ্ম মোছাহাৰী

[ " ] ভাল মানুহ বিলাক এতিয়াও আহি পোৱা নাই — শ্ৰীদেৱৰঞ্জন ধৰ

[৩৪] এটি শ্ৰদ্ধাঞ্জলী শ্বহীদলৈ — শ্ৰীবিদীপ দুৱৰা

[৩৪] মধুৰ বচন — শ্ৰীৰাজেশ কেশেৰা

[৩৫] সপ্ৰীতি — চৈয়দ মুৱাজ্জম হুছেইন

[৩৫] প্ৰত্যুত্তৰ — শ্ৰীবিশ্বজিত দত্ত

[৩৬] অস্তিত্বৰ জন্ম — শ্ৰীৰাজীৱ কুমাৰ নেওগ ।

[৩৭] প্ৰতিবেদন —

## Contents


| Page | English Section | |
|---|---|---|
| (1) | Down The Memory Lane | Sri Prasanta Banerjee |
| (5) | Should Smoking Be Banned in Universities And Colleges | Sri Nipu Ranjan Dutta |
| (7) | How did the Russian revolution Begin | Sri Siddhartha Sankar Barurh |
| (10) | What is Austrilia's barriar reef made of ? | ” |
| (11) | The grammar family | Sri Shailendra kr. Sarma |
| (13) | My D.H.S.K Commerce College | Sri Rakesh Mishra |
| (14) | (1) Growing | Sri Hemendra kr. Gog |
| | (2) Colling on Colleagues | „ Suchil Boruah |
| (15) | Do you know | Sri Siddartha Skn. Baru |
| (16) | Prudentials | Sri Rajesh Kaserah |

# মহান স্ৰষ্টাৰ অমৰ সৃষ্টি

— ভূপেশ ভাগৱতী
অধ্যাপক, বাণিজ্য বিভাগ

ঊনবিংশ শতিকাৰ আটাইতকৈ বেছি বিক্ৰি হোৱা কিতাপ —

আঙ্কলটমচ্ কেবিন অকল ইয়াৰ ব্যৱসায়িক সফলতাৰ কাৰণেই বিখ্যাত হৈ উঠা নাছিল। এই কিতাপখনে দাস প্ৰথাৰ বিলোপ সাধনত এক মহৎ ভূমিকা পালন কৰিছিল। সমসাময়িক ঐতিহাসিক তথা প্ৰবক্তাসকলে এই কথা অকুণ্ঠচিত্তে স্বীকাৰ কৰিছে।

লিখিকা এজনী মহিলা— হেৰিয়েট বিচাৰ ষ্টো। 1811 চনৰ 14 জুনত কানেক্টিকাটৰ লটস্‌-ফিল্ডত এজন ধৰ্মযাজকৰ কন্যা হিচাপে জন্ম গ্ৰহণ কৰা শিশুটিৰ নাম ৰখা হ'ল হেৰিয়েট এলিজাবেথ বিচাৰ। মাক আছিল এগৰাকী অসাধাৰণ মহিলা, যাৰ বিষয়ে চাৰি বছৰতে মাউৰা হোৱা হেৰিয়েটে লিখিছিল — "বহুতো জীৱিত মাতৃতকৈ মোৰ মৃত মাৰ ব্যক্তিত্ব বহুত বেছি প্ৰভাৱশালী"। সকৰে পৰাই যুক্তিবাদী হেৰিয়েটে বাৰ বছৰ বয়সত এখন ৰচনা লিখিছিল যাৰ সাৰমৰ্ম আছিল — আত্মা অবিনশ্বৰ বুলি বিশ্বাস কৰিবলৈ প্ৰকৃতিয়ে আমাক কোনো প্ৰমাণ দিয়া নাই। 1836 চনত ধৰ্মযাজক অধ্যাপক কেলভিন ষ্টোৰ লগত হেৰয়েট বিবাহ পাশত আৱদ্ধ হয়।

সেই সময়ত আমেৰিকাৰ দক্ষিনাঅঞ্চলত প্ৰচলিত সমাজ ব্যৱস্থাত দাসপ্ৰথা এটা সমাজ সমৰ্থিত পৰম্পৰা আছিল, যদিও কোমল মনৰ হেৰিয়েটে এই পৰম্পৰা অকল দুঃখজনকেই নহয়, সভ্যতাৰ কলঙ্কস্বৰূপ বুলি বিবেচনা কৰিছিল। ব্যক্তিগত ভাৱে তেওঁ দাসসকলৰ প্ৰতি সম্পূৰ্ণ সহানুভূতিশীল আছিল। দাস জীৱনৰ করুণ অধ্যায় তেওঁ গভীৰ সহানুভূতিৰে শুনিছিল আৰু সন্তুৰক্ষেত্ৰত সিহঁতৰ পলায়নৰ সুবিধা কৰি দিছল। 1850 চনত তেওঁ মেইনৰ ব্ৰাঞ্চুৱিক্ চহৰলৈ যায়। তাতেই গিৰিয়েক কেলভিনে ব'ডউইন কলেজত অধ্যাপনা কৰিছিল। তাতো দাসত্ব প্ৰথাৰ যন্ত্ৰনাদায়ক পৰম্পৰাই হেৰিয়েটক সঘনাই আমনি কৰিছিল। বাতৰিকাকতৰ প্ৰত্যেক পৃষ্ঠাই সেই খবৰবোৰ প্ৰচাৰৰ যেন প্ৰতিযোগী-তাহে পাতিছিল। দাস নিৰ্য্যাতনৰ প্ৰত্যেক বাতৰিয়ে একোডাল শেল হৈ হেৰিয়েটৰ কলিজা শালিছিল।

গিৰিয়েকৰ তাকৰীয়া আয়েৰে ঘৰখন চলাবলৈ হেৰিয়েটৰ কষ্ট হৈছিল। তাৰে যোৰা মাৰিবলৈ তেওঁ এটি দুটিকৈ চুটি গল্প লিখিবলৈ আৰম্ভ কৰিলে। হেৰিয়েটৰ দৰে নাৰীৰ লিখনি কেনেকুৱা হ'ব পাৰে সি সহজেই অনুমেয়।

অন্যায়ৰ চিৰ বিদ্ৰোহিনীৰ কাপৰ পৰা লিগৰি ওলাবলৈ ধৰিলে প্ৰচলিত সমাজ ব্যৱস্থাৰ অবিকৃত চিত্ৰ — সৌকালে কোৱাই কোবাই মাকৰ বুকুৰ পৰা সন্তান আজুৰি নিয়াৰ কাহিনী। নিগ্ৰো দাসৰ পৰিয়াল থানবান হোৱাৰ কাহিনী, দাস প্ৰভুৰ একপক্ষীয় ক্ষমতাৰ অধঃপতনৰ কাহিনী। সেয়া যেন সভ্যতাৰ কলঙ্কৰ অনন্ত বুৰঞ্জী, বিবেকবান মানুহৰ মগজুত তাণ্ডৱ সৃষ্টিৰ অদম্য প্ৰচেষ্টা। কিন্তু তথাপিতো প্ৰতিকূল ৰাজনৈতিক আৰু সামাজিক পৰিৱেশে কেতিয়াবা হেৰিয়েটৰ মনটো সেমেকাই তোলে—ইমান স্পৰ্শকাতৰ বিষয় এটাৰ নিঃসঙ্গ প্ৰতিবাদ কিমান ফলপ্ৰসূ হব ? তেনেতে এজনী বৌয়েকৰ চিঠিএখন আহিল—"...................তোমাৰ দৰে কলম চলাব জানিলে মই এনেকুৱা কিবাকিবি লিখিলো হেতেন যাতে গোটেই দেশেই দাসত্বৰ অভিশাপ অনুভৱ কৰিব পাৰে...................."

এইবেলি খাৰ ঘৰত জুই লাগিল। চিঠিখন কেবা-বাৰো পঢ়িলে হেৰিয়েটে। মনৰ শিলত দাগ বহিল "কিবা এটা নিশ্চয় কৰিব লাগিব—মই লিখিম"

প্ৰকৃততে কাহিনীৰ জকাটো কিতাপখন লিখিবলৈ লোৱাৰ কেইসপ্তাহ মান আগতে এটা ধৰ্মীয় উৎসৱত প্ৰত্যক্ষ কৰুণ অভিজ্ঞতাৰ ভেত্তিত গঢ় লৈ উঠিছিল। এজন শ্বেতাঙ্গৰ পাশৱিকৰ প্ৰহাৰত হেৰিয়েটৰ চকুৰ আগতে এজন বৃদ্ধ দাসৰ জীৱন শলিতা গছি নুমাই গৈছিল। শিল পৰা কপৌৰ দৰে অসহায় ভাৱে চাই থকাৰ বাহিৰে হেৰিয়েটৰ আন উপায় নাছিল। কলিজাত জুই একুৰা লৈ থৰক্‌বৰক্‌কৈ ঘৰ সোমাইছিল হেৰিয়েট। কম্পিত হাতেৰে লিখি ৰাখিছিল

সেই ঘটনাৰ চাক্ষুষ বিৱৰণ। পৰিয়ালৰ বা... বিলাকক যেতিয়া সেই বিৱৰণী পঢ়ি শুনো... হ'ল, কান্দোনত ভাঙি পৰিল কম বয়সী... ল'ৰা-ছোৱালী হ'ত, গিৰিয়েকে গহীনাই ক'... "এই ঘটনাক কেন্দ্ৰ কৰি কাহিনী লিখা, ইয়... ইয়াকেই বিচাৰি ছে চাগে।"

হেৰিয়েট মানসিক ভাৱে প্ৰস্তুত হ'... ব্যক্তিগত সান্নিধ্যত অহা বিভিন্ন চৰিত্ৰক গঢ়ি... কাহিনীৰ বাবে প্ৰস্তুত কৰা হ'ল। সেইবা... 'আঙ্কল টমচ্ কেবিন' হেৰিয়েটৰ জীৱনৰ অম্ল... অভিজ্ঞতাৰে ৰমনীয় হৈ উঠিছিল। কেন্টু... কটোৱা কেইটামান দিনৰ বাহিৰে দক্ষিণ... বিশেষ অভিজ্ঞতা তেওঁৰ নাছিল। এই অঞ্চ... দাসত্বপ্ৰথা ঘৃণনীয় ভাৱে জনপ্ৰিয় আছিল... গতিকে কাহিনীৰ মূলচৰিত্ৰ 'আঙ্কল টমক... অঞ্চলৰ এজন ক্ৰীতদাস হিচাপে চিত্ৰিত... লগা হ'ল। কিন্তু কেন্টুকিত লিখিকাই লগ... সকলোবোৰ মানুহেই বৰ ভাল মানুহ আ... খলনায়ক হিচাপে চিত্ৰিত কৰিব পৰা এটা... কেন্টুকিত নোলাল। সমস্যাৰ সমাধান... উপায়ে হ'ল। হেৰিয়েটে ভাবিলে, ... টমক তেওঁৰ কেন্টুকিৰ মৰমীয়াল প্ৰভু... বিক্ৰি কৰাই দিব লাগিব। **এনে সা... দায়বদ্ধতা, সততা আৰু প্ৰেক্ষাপট... আপোচহীন চিত্ৰায়ন খুউব তাকৰীয়া... লিখিকাৰ মাজতেই দেখা যায়। হেৰিয়েটৰ চৰিত্ৰৰ এটা মহান দিশ ... তুলিছে।**

ব'ষ্টনত জচিয়া হেনচন নাম... নিগ্ৰো ধৰ্মযাজকৰ লগত হেৰিয়েটৰ ... হৈছিল। প্ৰভুৰ অত্যাচাৰত স্থায়ীভা...

াৰা হেনদৰে অৰ্থৰ বিনিময়ত নিজৰ মুক্তি িলৈ সমাজ সেৱা আৰু ধৰ্ম প্ৰচাৰকে জীৱনৰ ত হিচাপে লৈছিল । তেওঁৰ মাজতে হেৰিয়েটে াঙ্কল টমক বিচাৰি পালে । নিউ অৰ্লিয়েঞ্চত য়েঞ্চ চাৰ্চ এজন দাস তত্বাৱধায়কৰ সান্নিধ্যত হিতিল যিজনে ওক্ গছৰ লেখিয়া বজ্ৰমুষ্টি থুৱাই গৰ্বৰে কৈছিল "নিগ্ৰো হুঁতক ভুকুৱাই ুৱাই কি পাঞ্জা বনাইছো চোৱা ।" এজন নায়কৰ প্ৰয়োজন আছিল । হেৰিয়েটে সেই াচাৰী তত্বাৱধায়কৰ গাত চাইমন লেগ্ৰিৰ ম ফলক আৰি দিলে । চিনচিনাতিত হেৰিয়েট লেষ্টি নামৰ এজনী সাৰ্থৰ সাৰ্থৰ লগা নিগ্ৰো াৰাণীক লগ পাইছিল । তাইৰ ব্যক্তিত্বই জন্ম লে অন্য এক চৰিত্ৰ, ট'পচি ।

কাহিনীৰ মূলভাৱ তিনিচাৰি ভাগত টকৈ লিখি ৱাশ্বিংটনৰ 'নেচনেল ইৰা'ৰ সম্পাদক ইলিৰ ওচৰলৈ পঠোৱা হ'ল । বেইলিয়ে নিশডলাৰ পৰিশ্ৰমিক দি কাহিনীটো খণ্ড ণ্ডকৈ প্ৰকাশ কৰিবলৈ মান্তি হ'ল ।

হেৰিয়েটে হাতত কলম তুলি ললে । নেদৰে আৰম্ভ হ'ল বিপ্লৱ সৃষ্টিকাৰী এখন কতাপৰ জন্মৰ প্ৰক্ৰিয়া—"Late in the fternoon of a chilly day in February, two gentlemen were sitting lone over their wine, in a well-urnished dining parlour, in the own of p—, in Kentucky" তাৰ াছত শব্দৰ সুদীৰ্ঘ শোভাযাত্ৰা । হেৰিয়েটৰ লমত যেন সৰস্বতীয়ে থিতাপি ল'লে শেষলৈ াহিনীৰ তিনি চাৰি ভাগ চৌৰাল্লিশ ভাগ হ'বগৈ াহিনীৰ বৰ্ধিত কলেবৰে কিন্তু বেইলিৰ পৰা তিনিশ ডলাৰতকৈ এটা ফুটা কড়িও বেছিকৈ আদায় কৰিব নোৱাৰিলে । 1851 চনৰ 5 জুনত কাহিনীৰ প্ৰথম ভাগ ছপা হৈ ওলাল । নতুন পুৰুষ গঢ়িবলৈ ওলোৱা ক্ৰান্তিৰ বিজয় যাত্ৰাৰ শুভাৰম্ভ হ'ল ।

দাসপ্ৰথা আমেৰিকাৰ দক্ষিণাংশত জনপ্ৰিয় আছিল । উত্তৰাঞ্চলে ইয়াৰ প্ৰতিবাদ কৰিছিল । এই ধাৰনাটোৱেই সমগ্ৰ বিশ্বৰ চকুত উজলি উঠিছিল । কিন্তু এই ধাৰনাটোক হেৰিয়েটে সৰলীকৰণৰ নিম্নতম পৰ্য্যায়লৈ নমাই অনা নাছিল । স্থান, জাতি বা ধৰ্মবিশেষে সকলো মানুহেই বেয়া বা ভাল এই কথাটো অন্য বিবেক বান মানুহৰ দৰে হেৰিয়েটেও চকু মুদি বিশ্বাস কৰা নাছিল। তেওঁা এই মনোভাৱ তেওঁৰ কিতাপৰ চৰিত্ৰ সমূহেই প্ৰমাণ কৰিছে । দয়ালু আৰু মহৎ চৰিত্ৰ হিচাপে দক্ষিণাঞ্চলৰ মানুহেও তেওঁৰ কিতাপত স্থান পাইছে । আন হাতে উত্তৰাঞ্চলৰ সকলো মানুহেই যে মহৎ নহয় সেই কথা খলনায়ক চাইমন লেগ্ৰীৰ দ্বাৰা প্ৰমাণ কৰা হৈছে । ট'পচি আৰু অ'ফেলিয়াৰ মাজত আকাশ পাতাল পাৰ্থক্য। কণমাণি ইভাৰ আটাইতকৈ আৰামদায়ক আসন আছিল আঙ্কল টমৰ কোলা । আজিৰ পৰা প্ৰায় দেড়শ বছৰ আগতে এই সুক্ষ্ম বিবেচনা প্ৰকৃততে গৰ্বৰ বিষয় ।

খণ্ড খণ্ডকৈ প্ৰকাশিত কাহিনীয়ে মাৰ্কিন সমাজৰ একাংশত যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিলে। দাস প্ৰথাৰ বিৰোধী প্ৰায় সকলেই এই কাকতখন পঢ়িছিল আৰু এনে পঢ়ুৱৈ সমাজৰ বিভিন্ন জনগোষ্ঠীৰ মাজত সিচৰিত হৈ আছিল । এই লিখনি থকা কাকতবিলাক হাত বাগৰি বাগৰি উৰলি নোযোৱালৈকে পঢ়ুৱৈৰ মাজত উটি ফুৰি-

ছিল। উংসাহ, অভিনন্দন আৰু শুভেচ্ছা পত্ৰ প্ৰকাশকৰ কোঠাত দম বান্ধিছিল । এটা সংখ্যাত ব্যক্তিগত অসুবিধাৰ বাবে হেৰিয়েটে লিখনি পঠাব নোৱাৰিলে আঙ্কল টম অবিহনেই "নেচনেল ইৰা" প্ৰকাশিত হ'ল। ধুমুহাৰ দৰে হুৰমুৰাই অহা বিক্ষুব্ধ পাঠকৰ প্ৰতিবাদত সেই বেলি "নেচনেল ইৰা"ৰ সম্পাদক প্ৰকাশকৰ পুতৌ লগা অৱস্থা ।

কাহিনী চলি থাকিল তাৰ নিজস্ব নিৰলস ভঙ্গিমাত — অনিৰুদ্ধ গতি। শেষ যেন লিখিকাৰ নিয়ন্ত্ৰনৰ বাহিৰত । কাহিনীৰ সৃষ্টিধৰ্মী পৰিসমাপ্তিৰ চিন্তাত হেৰিয়েট অস্থিৰ । কাহিনীৰ জন প্ৰিয়তা ইতিমধ্যেই হেৰিয়েটৰ বাবে এক প্ৰকাৰ অত্যাচাৰ হৈ পৰিছে । যলৈ নাযাওঁক কিয়, পিছৰ সংখ্যাৰ লিখনিৰ চিন্তাই তেওঁৰ এক দুঃস্বপ্নৰ দৰে খেদি ফুৰিছিল। তেওঁতো স্বচ্ছল পৰিয়ালৰ বোৱাৰী নহয়, ৰন্ধা-বঢ়া কথা অন্যান্য সাংসাৰিক সমস্যাবোৰোতো আছে, বেচেৰী হেৰিয়েট মাত্ৰ পাগল হবলৈ বাকী ।

কাহিনীটো সৰু উপন্যাসৰ আকাৰত প্ৰকাশ কৰিবলৈ পাংপাতি থকা ব'ষ্টনৰ নিচলা প্ৰকাশক জন জুৱেটৰ বাবে কাহিনীৰ অন্তহীন গতি এটা দুঃচিন্তাৰ কাৰণ হৈ উঠিল । সৰু হব বুলি ভবা কাহিনীটো ইতিমধ্যেই তেওঁৰ ব্যৱসায়িক ক্ষমতাৰ বাহিৰত যোৱাৰ উপক্ৰম হৈছে । তেওঁ হেৰিয়েটক পৰামৰ্শ দিলে — "স্পৰ্শ কাতৰ বিষয়ৰ কাহিনী এটা আৰু বেছি দীঘল নকৰাই ভাল, ব্যৱসায়িক দিশটোৰ কথাও ভাৱিব লাগিব" । 'ইৰাৰ'ৰ সম্পাদকেও প্ৰায় একে কথাই কাকতৰ যোগেদি ক'লে —"বেছি পেঘেনিয়াই নাথাকি শেষ ফল কি হ'ল তাক কেইটামান দফাত লিখি কাহিনীটোৰ মে... মৰাই ভাল।" পিছে পাঠক সমাজৰ বহুত... বেচেৰা বেইলিয়ে উশাহ নসলোৱাকৈ মত... বলৈ বাধ্য হ'ল । দুৰ্বাৰ গতিত চলি থা... হেৰিয়েট আৰু হেৰিয়েটৰ কলম ।

যিমানেই দীঘলীয়া নহ'ক কা... শেষতো আছেই ৰবদিন সংখ্যাৰ লিখনিত ... য়েটে ইভাৰ মৃত্যু ঘোষণা কৰিলে । ... বাবে সেয়া বৰ সহজ কথা নাছিল । ... অকল পাঠকৰেই নয়নৰ মনি নাছিল, লিখি... অন্তৰতো কণমানি জনীয়ে মমতাৰ নৈ ... দিছিল। ইভাৰ মৃত্যুৰ খণ্ড লিখাৰ পিছত ... য়েটে সম্পূৰ্ণ দুদিন বিছনাত মুখ গুজি ... আছিল । জ্বলা জুইত ঘিউ ঢালিবলৈ পা... পৰা অসংখ্য চিঠি আহি আছিল । সক... অভিযোগ — মাত্ৰ কাব্যিক স্বাৰ্থৰ খাতি... ইমান মধুৰ চৰিত্ৰ এটাক মৃত্যুদণ্ড দি... লিখিকা কেনেকৈ ইমান নিৰ্দয় হ'ল ?

হেৰিয়েটৰ প্ৰতিশ্ৰুত কলম বই ন... কিল । পথ প্ৰায় পৰিষ্কাৰ, সমাপ্তিলৈ বেছি ... নাই । ইভা গ'ল, আঙ্কলটমক বিদায় দি ... পাৰ্শ্বচৰিত্ৰ সমূহৰ ব্যৱস্থা এটাকৰিলেই হ'... কথামতেই কাম । শেষ বাক্যটো লিখি হেৰি... কলম সামৰিলে । "Think of freed... every time you see-UNCLE TO... CABIN; and let it be a mem... to put you all in mind tofol... in his steps, and be as honest ... faithful and christian as he w...

1852 চনৰ ফেব্ৰুৱাৰীত জ'ন জু... কিতাপখন উপন্যাস আকাৰে প্ৰকাশ ক...

প্ৰস্তাৱ আগবঢ়ালে । প্ৰকাশৰ খৰচ আৰু আয় উভয় পক্ষৰ আধা আধা । কৰ্পদকহীন লিখিকাৰ বাবে এই প্ৰস্তাৱ গ্ৰহণ কৰা সম্ভৱ নহ'ল । শেষত বন্দৱস্ত হ'ল কোনো খৰচ বহন নকৰাকৈ লিখিকাই বিক্ৰী মূল্যৰ ওপৰত শত কৰা দহভাগ স্বত্বকৰ পাব । ব্যৱসায়িক দৃষ্টিত হেৰিয়েটৰ বাবে এই চুক্তি মুঠেই লাভজনক নাছিল যদিও কিন্তু হেৰিয়েটে ইয়াকেই যথেষ্ট বুলি ভাবিছিল । "এইবাৰ ৰেচমী কাপোৰ এযোৰ কি জানি কিনিব পৰা যাব ।" চুক্তিত চহী কৰি উঠি হেৰিয়েটে ভাবিছিল ।

সম্পূৰ্ণ অনাড়ম্বৰ ভাবে, কোনো বিজ্ঞাপন অবিহনেই 1852 চনৰ 20 মাৰ্চত 'আঙ্কলটমচ্ কেবিন' ছপা হৈ ওলাল । খুব কম সময়ৰ ভিতৰতেই ছয়হেজাৰ ক'পিৰ প্ৰথম সংস্কৰণ শেষ হৈ গ'ল । প্ৰথম বছৰৰ শেষত মুঠ বিক্ৰী হ'ল তিনিলাখ পাঁচ হেজাৰ কপি । পাঁচ বছৰৰ শেষত পাঁচলাখৰ সীমা অতিক্ৰম কৰিলে কিতাপখনৰ বিক্ৰীয়ে । হেৰিয়েটৰ অৱস্থা স্বচ্ছল হ'ল । অৰ্থ আহিল, ৰেচমী কাপোৰ কিনিব পৰাকৈ নহয়, তাতকৈ বহুত বেছি—প্ৰথম চাৰি মাহতে দহ-হেজাৰ তিনিশ ডলাৰ । পৃথিৱীৰ বিভিন্ন দেশৰ বিভিন্ন ভাষাত কিতাপখন অনুদিত হ'ল । নিপীড়িত জনগণে কাহিনীৰ মাজত নিজৰ কলিজাৰ গোন্ধ বিচাৰি পালে । লণ্ডন, নিউয়ৰ্ক আৰু বষ্টনত কাহিনীৰ নাট্যৰূপ মঞ্চস্থ হ'ল । দৰ্শকৰ ভিড়ত প্ৰেক্ষাগৃহ তালমাতাল । লোকগীত আৰু বিজ্ঞাপনেও বুকুৰ মাজলৈ টানি নিলে টম আঙ্কল আৰু ইভাক ।

লিখিকাই কিন্তু ব্যৱসায়িক সাফল্যৰ কথা ভাবি কিতাপখন লিখা নাছিল । দাসত্বৰ দৰে কলঙ্কিত আৰু করুন অধ্যায় এটাৰ প্ৰতি জনগণৰ দৃষ্টি মুকলি কৰি দিয়াটোৱেই তেওঁৰ মুখ্য উদ্দেশ্য আছিল । সেয়েহে দক্ষিণাঞ্চলৰ পৰাই কিতাপখনৰ বিৰুদ্ধে প্ৰবল প্ৰতিক্ৰিয়া তেওঁ আশা কৰিছিল । কিন্তু আশ্চৰ্য্য-জনক ভাবে প্ৰথম প্ৰতিবাদ উত্তৰৰ পৰাই আহিল । তাৰ কাৰণো অৱশ্যে নোহোৱা নহয় । উত্তৰাঞ্চলৰ কিছুমান কপাহ খেতিয়কৰ বাবে সহজলভ্য দাসৰ প্ৰয়োজন আছিল আৰু সেই পুঁজি পাতি সকলৰ প্ৰবক্তা আছিল নিউয়ৰ্কৰ 'জাৰ্নেল অফ কমাৰ্চ' । মে' মাহৰ শেষৰ ফালে এই পত্ৰিকাই কিতাপখনৰ বিৰুদ্ধে তীব্ৰ সমালোচনা প্ৰকাশ কৰিলে । লাহে লাহে কাকত আলোচনীবোৰ কিতাপখনৰ সপক্ষে বিপক্ষে দুই ভাগত বিভক্ত হ'ল আৰু বাদ প্ৰতিবাদৰ জোৱাৰত মাৰ্কিন সমাজ ব্যৱস্থাত আলোড়ন উঠিল । প্ৰথমে কিছুদিন কিতাপখনৰ এক উত্তপ্ত বিতৰ্কৰ বিষয়বস্তু হৈ থাকিল । লাহে লাহে দক্ষিনাঞ্চলত কিতাপখনৰ প্ৰচলন স্বতঃ স্ফুৰ্ত ভাবে বন্ধ হৈ আহিল । তাৰো কিছুদিন পিছত কিতাপখন ঘৰত থকাটোও এটা গুৰুতৰ অপৰাধৰ দৰে হৈ পৰিল । মাতৃসকলে লৰা-ছোৱালীৰ দৃষ্টিত হেৰিয়েটক এজনী ৰক্তপিপাসু ডাইনী হিচাপে তুলি ধৰিলে । হেৰিয়েটে পোৱা চিঠি-পত্ৰৰ প্ৰকৃতি সলনি হ'ল । আগৰ দৰে অভিনন্দন পত্ৰ নহয়, ভীতি প্ৰদৰ্শন কাৰী আৰু নিন্দুকৰ তিতাকেহা চিঠিয়েই বেছি আহিবলৈ ধৰিলে । শাৰিৰীক আৰু মানসিক অৱসাদত হেৰিয়েটৰ স্বাস্থ্য ভাঙি পৰিল । নতুন উদ্যম আহৰনৰ বাবে তেওঁ ইউৰোপ ভ্ৰমণত ওলাল । পৰিবৰ্তিত জলবায়ু আৰু শুভেচ্ছাই হেৰিয়েটক

সতেজ কৰি তুলিলে । এইবাৰ হেৰিয়েট ঘাইকৈ বক্তৃতাৰ মাধ্যমত জনমত সৃষ্টিত ব্ৰতী হ'ল । 1886 চনত গিৰিয়েক কেলভিন ঢুকাল । তাৰ পিছৰ সময়ছোৱা হাটফিল্ডত অকলশৰীয়া জীৱন-যাপন কৰি 1896 চনত চিৰদিনৰ কাৰণে শুই থাকিল সেই ৰমণীয় ৰমণী ।

দাসপ্ৰথাৰ সমৰ্থক আৰু বিৰোধী উভয়-পক্ষই ভালকৈ বুজিছিল যে 'আঙ্কল টমচ্ কেবিন' মাত্ৰ এখন কিতাপ বা এটা কাহিনী নহয়, ই হ'ল গোটেই দেশখনক কপাই তুলিব পৰা এটা বিপদজনক বিস্ফোৰক । তাৰ প্ৰমাণ হেৰিয়েট, মাৰ্কিনবাসী তথা সমগ্ৰ বিশ্বই খুব কম সময়ৰ ভিতৰতেই পাইছিল । সেয়েহে কিতাপখনৰ জন্মৰ চল্লিশ বছৰ পাছতো ইয়াৰ বিষয়ে লিখা হৈছিল ....................... "দাসত্ব প্ৰথাৰ বিলুপ্তি সাধনৰ একমাত্ৰ কাৰণ নহলেও সৰ্বাধিক গুৰুত্বপূৰ্ণ, মহৎ আৰু সুদূৰ প্ৰসাৰী কাৰণ আছিল "আঙ্কল টমচ্ কেবিন" ।

সাহিত্যিক মাধুৰ্য্যৰ দিশটো বাদ দিলেও প্ৰত্যেক মানবতাবাদীৰ চকুত এক মহান দলিল হিচাপে অমৰ হৈ থাকিব- আঙ্কল 'টমচ্ কেবিন।'

**গ্ৰন্থ পঞ্জী ঃ**


1. Uncle Toms Cabin — Harriet Beesher Stowe.
2. A key to Uncle Tom's Cabin— Harriet Beecher Stowe.
3. Guroder in Gindine — Foret Wilsan
   Cowelesy— Reader's Digest
4. Purncll's New English Encydopedia.


---

# ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতিত ইছলাম ধৰ্ম্মৰ অৰিহনা


— ইমৰান হুছেইন
অধ্যাপক
কানৈ বানিজ্য মহাবিদ্যালয় ।


কোনো এখন দেশৰ ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতি যদিও কোনো ৰাজনৈতিক মতবাদৰ সৈতে জড়িত ইয়াক গঢ় দি তোলাও সেইদেশৰ ভাষা, সংস্কৃতি সমাজ ব্যৱস্থা আদি কেইবাটাও কথাই অৰিহনা যোগায় । ভাষাই যোগাযোগৰ মাধ্যম হিচাবে বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত সমন্বয় ঘটায় আৰু সংস্কৃতিয়ে তেওঁলোকৰ অনু-ভূতি, কল্পনা, দৰ্শন আদি দোলেৰে বান্ধি ৰাখে । এনে স্থলত ধৰ্ম্মই যে ৰাষ্ট্ৰিয় ঐক্য আৰু সংহতিত অৰিহনা যোগাব পাৰে তাক উপলব্ধি কৰাটো

কিছু কঠিন হৈ পাৰে। কিয়নো ধৰ্মৰ ভিত্তিত চিন্তা কৰিলে আমাৰ দৃষ্টিভঙ্গি কিছুপৰিমানে অতিতৰ ফাললৈ ওলতি যোৱা যেন লাগে। প্ৰকৃতাতে ই তেনে নহয়। ধৰ্ম্ম বুলিলে আমি যদি ধৰ্ম্ম সম্পৰ্কীয় আনুষ্ঠানিক কাযৱলীক বুজো তেন্তে ধৰ্ম্মৰ প্ৰকৃত অৰ্থৰ পৰা আমি বহুদুৰ আতৰি যাম। এনে এটা সংকীৰ্ণ মনোভাৱ পৰিত্যাগ কৰিবলৈ হলে ধৰ্মক এটা বহল দৃষ্টিভঙ্গিৰে বিচাৰ কৰিব লাগিব। আৰু তেনে কৰিলেহে ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতিত ধৰ্মই কেনে ধৰণৰ অৰিহনা যোগাব পাৰে তাক বুজাতো সহজ হৈ পৰিব। আজিৰ যুগটো মানৱ চিন্তাধাৰাৰ ক্ৰমবিকাশৰ যুগ। এই যুগত ভাষা, সংস্কৃতি আৰু ধৰ্ম্মৰ সৈতে জড়িত প্ৰশ্ন বিলাক এটা উন্নত আৰু পৰিস্কাৰ দৃষ্টিভঙ্গিৰে বিচাৰ কৰাটো প্ৰয়োজন হৈ পৰিছে।

এই ক্ষেত্ৰত স্বাভাৱিকতে প্ৰশ্ন উঠে যে ভাৰতবৰ্ষৰ দৰে এখন বৈচিত্ৰপূৰ্ণ দেশৰ ঐক্য আৰু সংহতিত ইছলামে কেনে ধৰণৰ অৰিহনা যোগাব পাৰে ইছলাম ধৰ্ম্মৰ জন্ম হয় ভাৰতৰ পশ্চিমত অৱস্থিত সুদূৰ আৰব মৰুভূমিক। যি ভাষাৰ কোলাত ইয়াৰ জন্ম সেই আৰবী ভাষা এই দেশৰ ভাষাৰ সৈতে কোনো মিল নাই। আকৌ এই ধৰ্ম্মৰ মিচিত হেচা দি যি সংস্কৃতি গঢ় লৈ উঠিছে সি ভাৰতীয় সংস্কৃতিৰ প্ৰধান সোঁতৰ বহু আতৰত থকা যেন লাগে। বিভিন্ন মহলৰ চিন্তাবিদ সকলেও মাজে সময়ে ইয়াৰ ইঙ্গিত দি থাকে। এনে ধৰণৰ চিন্তাধাৰাই স্বাভাৱিকতে এটা নিৰাশাবাদী দৃষ্টিভঙ্গি সৃষ্টি কৰে। ইয়াক আতৰাবলৈ হলে ইছলামক বুজিব লাগিব এক বহল চিন্তাধাৰাৰ ভিত্তিত।

ইছলাম ধৰ্ম্মত এনে কিছুমান নীতি প্ৰৱৰ্ত্তন কৰা হৈছে যাৰ সহায়ত বৈচিত্ৰ মাজত ঐক্য প্ৰতিষ্ঠা কৰাটো সহজ হৈ পৰে। এই ধৰ্ম্মই প্ৰথম পৰিচয় দিয়ে এক বিশ্বভ্ৰাতৃত্বৰ চানেকীৰে। ইয়াত সৰু ডাঙৰ উচ্চ-নীচৰ মাজত কোনো পাৰ্থক্য নাই। ইয়াত ৰজা আৰু প্ৰজাৰ মাজত একমাত্ৰ পাৰ্থক্য এই যে ৰজাই দেশৰ শাসন ভাৰৰ দায়িত্ব গ্ৰহন কৰে আৰু প্ৰজাই তাত সহযোগ কৰে। হজৰত মহম্মদ (দঃ) আৰু তেওঁৰ পৰৱৰ্ত্তী খলিফা সকলে নিজৰ জীৱন কালতে এই আদৰ্শ পালনৰ বহু দৃষ্টান্ত দাঙি ধৰিছিল। হজৰত মহম্মদে (দঃ) প্ৰৱৰ্ত্তন কৰা শাসন ব্যৱস্থাত "নজৰ্বান" আৰু ইয়াৰ চৌপাশে অৱস্থিত অঞ্চলত বাস কৰা খৃষ্টান সকলে নিজৰ অধিকাৰ আৰু নিৰাপত্তাৰ ক্ষেত্ৰত যি সুবিধা পাইছিল বিশ্ব ইতিসাহত ইয়াৰ তুলনা নাই। তলত উদ্ধৃত কৰা তেখেতৰ নিৰ্দ্দেশ বানীৰ পৰা এইটো পৰিস্কাৰ ভাবে বুজিব পাৰি।

"To (The Christians of) Najran and the neighbouring territories, the security of god and the pledge of his prophet are extended for their lives, their religion and their propaty — to the present as well as the absent and others besides, there shall be no interference with (the practice of their faith or their observances; nor any change in their rights or privileges; .... ....

হজৰত ওমৰ ফাৰুক (ৰাঃ) এখন বিখ্যাত খলিফা আছিল। তেওঁৰ ৰাজত্ব ফালত মধ্য-প্ৰাচ্যত বসবাস কৰা খৃষ্টান আৰু ইহুদি সকলে

যি সুবিধা পাইছিল সি এজন শাসকৰ অতি উচ্চ স্তৰৰ উদাৰ নীতিৰ পৰিচয় দিয়ে। এইজনা খলিফাৰ ৰাজত্ব কালত ইজিপ্তত থকা খৃষ্টান গীৰ্জ্জাৰ সম্পত্তিৰ যাতে কোনো ক্ষয় - ক্ষতি নহয় তাৰ যথেষ্ট ব্যৱস্থা লোৱা হৈছিল। আনকি পূৰ্ব্বৰ চৰকাৰৰ ফালৰ পৰা পুৰোহিত সকলক দিয়া বানচৰ ক্ষেত্ৰত ও কোনো ব্যক্তিক্ৰম ঘটোৱা নাছিল। হজৰত ওচমান নামৰ তৃতীয় খলিফা জনে শাসন ভাৰ গ্ৰহন কৰাৰ পিছত শাসন ব্যৱস্থাৰ বহু পৰিবৰ্ত্তন কৰা হৈছিল। গুণ আৰু সততাৰ ভিত্তিতহে তেখেতে নিজৰ সহকৰ্মী বাছি লৈছিল। উল্লেখযোগ্য যে ইছলামৰ বিৰোধিতা কৰা অনেক লোকেও এই ক্ষেত্ৰত তেওঁৰ অনুগ্ৰহৰ পৰা বঞ্চিত হোৱা নাছিল। ইছলামৰ পয়গম্বৰ বা খলিফা সকলে যি শাসন ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিছিল এই সকলোবিলাকৰ মূলত আছিল ইছলামৰ নীতি। শান্তি, সমপ্ৰীতি আৰু সহনশীলতাৰ মেৰপাকত যিখন সমাজ বা যিটো জাতি গঢ় লৈ উঠিছিল সি ইছলামৰ এটি দানস্বৰূপ।

ভাৰতবৰ্ষত হিন্দু ধৰ্ম্মৰ ওপৰিও ইছলাম, খৃষ্টিয়ান, শিখ, জৈন আদি বহুতো ধৰ্ম্মৰ লোকে বসবাস কৰে। এই দেশৰ বৈচিত্ৰতাৰ ইও এটা দিশ। এনে এটা পৰিবেশত চিন্তাধাৰাৰ পাৰ্থক্য থকাতো স্বাভাৱিক। কিন্তু চিন্তাধাৰাৰ বিভিন্নতাই জাতীয় স্বাৰ্থৰ প্ৰধান লক্ষ ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতিৰ পৰা কাৰোবাক আতৰাই ৰখাৰ কোনো যুয়েক্তি থাকিব নোৱাৰে। এনে এটা লক্ষত উপনীত হোৱাৰ বাবে ইছলামত যথেষ্ট সুবিধা আছে। এই ধৰ্ম্মই অসিংহা নীতি, ভ্ৰাতৃত্বৰ ভাব আৰু নৈতিক আচৰনত মাজেদিয়েই জাতীয় ঐক্যৰ চেতনা জগাই তোলে। যি সময়ত ইছলাম ধৰ্ম্মৰ প্ৰচাৰ আৰম্ভ হয় সেই সময়ত আৰববাসী অসভ্য আৰু বৰ্বৰতাৰ নিম্নতম অ স্থাত আছিল। এনে এটা জাতিৰ মাজত আৰু সেই বাতাৱৰনত ঐক্যৰ বাণী প্ৰচাৰ কৰাটো কম দুঃসাধ্যৰ কাম নাছিল। মৰুভূমিৰ সেইজনো পয়গম্বৰ আৰু তেওঁৰ পৰৱৰ্ত্তি খলিফা সকলে সাহ আৰু ধৈৰ্য্যৰ বলেৰে সেই বৰ্বৰ আৰব বাসীৰ মন জয় কৰি আৰব আৰু তাৰ দাতিকাষৰীয়া অঞ্চলত এখন সুস্থ আৰু সুসংগঠিত ৰাষ্ট্ৰ গঢ়ি তোলাত সক্ষম হৈছিল। ইছলামৰ এই কৃতকাৰ্য্যতাৰ ওপৰত লক্ষ ৰাখিয়েই চৈয়দ আমিৰ আলিয়ে তেখেতৰ বিখ্যাত "The Spirit of Islam" নামৰ গ্ৰন্থত এইদৰে মন্তব্য দিছে।

Islam gave to his people a code which however, archaic in its simplicity, was capable of the gretest development in accordance with the propress of material civilization. It conferred on the state a flemible constitution based on a just appreciatia of human rights and human duty. It limited taxalite, it made man equal in the eye of the law, it conseerated the principle of self government"

ইছলাম ধৰ্ম্মৰ আন এটা দিশ এই যে ই শান্তিৰ প্ৰতীক। শান্তি আৰু সম্প্ৰীতিৰ বানী প্ৰচাৰ কৰাটো প্ৰত্যেক মুছলমানৰ কৰ্ত্তব্য। সেইহে এজন মুছলমানে আন এজনৰ সৈতে সাক্ষাত হোৱাৰ লগে লগে এই বুলি অভিনন্দন জনায়, — "তোমাৰ ওপৰত শান্তি হওক"।

গতিকে এই ধৰ্মত ভাষা, জাতি বা আঞ্চলিক ভিত্তিত কোনো প্ৰশ্ন বিচাৰ কৰাৰ সুবিধা নাই। ইছলামৰ দৃষ্টিত মানব জাতি পৰম কৰোণাময় আল্লাৰ সৰ্ব্বশ্ৰেষ্ঠ সৃষ্টি। গতিকে সকলোৱে সকলোৰ নিশ্চাৰ্থ প্ৰেম আৰু সহানুভূমি পোৱাৰ মোল্য। পবিত্ৰ কোৰাণত ৰাষ্ট্ৰৰ প্ৰতি প্ৰজাৰ দায়িত্ব কেনে ধৰণৰ হব লাগে তাক স্পষ্ট ভাষাত বৰ্ণনা কৰা হৈছে। প্ৰজাৰ ওপৰত নিজৰ দিশৰ বাবে সকলো ধৰণৰ সমৰ্থন আৰু সহানুভূতি দেখুৱা বাধ্যতামূলক কৰা হৈছে। প্ৰয়োজন হলে মাতৃভূমিৰ প্ৰতিৰক্ষাৰ বাবে সকলো ধৰণৰ বলীদান দিবলৈকো পবিত্ৰ কোৰাণত নিৰ্দ্দেশ দিয়া হৈছে। অৱশ্যে এনে কৰাৰ আগতে সকলো প্ৰশ্ন নৈতিকতাৰ ভিত্তিত বিচাৰ কৰা বাঞ্চনীয়। কিন্তু বৰ্ত্তমান ৰাজনৈতিৰ বাতাবৰণত নৈতিক আচৰণ দেখুৱাৰ যুক্তি-যুক্ততাৰ ওপৰত হয়তো বহুতে প্ৰশ্ন কৰিব পাৰে। তেওঁলোকৰ দৃষ্টিত ৰাজনীতি আৰু নৈতিকতা দুটা পৰস্পৰ বিৰোধী অৱস্থা। কিন্তু ইছলামৰ দৃষ্টিভঙ্গি তেনে নহয়। ইয়াত যেনে ধৰণৰ নৈতিক আচৰণৰ বিষয়ে কোৱা হয় তাৰ বাবে এটা সুস্থ আৰু উৎকৃষ্ট ৰাজনৈতিক বাতাবৰণৰ আৱশ্যক। গতিকে ৰাজনীতি আৰু নৈতিকতাৰ মাজত সমন্বয় ঘটোৱা ইছলামৰ দৃষ্টি ভঙ্গিত অযুক্তিকৰ কথা নহয়। বৰং এনে এটা অৱস্থাৰ সৃষ্টি কৰাৰ বাবে সকলো মুছলমানক আহ্বান কৰা হৈছে। আৰু ইয়াৰ মাজেদিয়েই দেশ প্ৰেম জগাই তোলাৰ ওপৰত উচ্চাধিকাৰ দিয়া হৈছে। আকৌ ইছলামৰ দৃষ্টিভঙ্গিত দেশ-প্ৰেম আৰু মানবতা বোধ পৰস্পৰ বিৰোধী নহয়। পবিত্ৰ কোৰাণৰ নিম্নলিখীত উক্তিত এনে ভাবৰ ইঙ্গিত দিয়া হৈছে।

"তোমাৰ স্বজাতি ভাই উৎপীড়িতক হওক বা উৎপীড়নকাৰী হওক তুমি সহায় কৰা। উৎপীড়িতক উৎপীড়নৰ পৰা উদ্ধাৰ কৰি সহায় কৰা আৰু উৎপীড়নকাৰীক তেওঁৰ উৎপীড়ন কাৰ্য্যত বাধা দি সহায় কৰা"। এই বাণীত নিজৰ মাতৃভূমিক বা নিজৰ জাতিক অন্যায় ও অবিচাৰৰ পৰা মুক্ত ৰখাৰহে ইঙ্গিত দিয়া হৈছে। গতিকে ধৰ্ম্মৰ নামত কুসংস্কাৰ প্ৰচাৰ কৰা আৰু বিদ্বেষ ভাব সৃষ্টি কৰা এক ইছলাম বিৰোধী কাৰ্য্য। শান্তি আৰু সম্প্ৰীতিৰ এনে এটা নীতি প্ৰৱৰ্ত্তন কৰাৰ অন্তৰালত মাত্ৰ এটায়েই উদ্দেশ্য আৰু সেইটো হৈছে জাতিয় ঐক্য আৰু সংহতি অক্ষুণ্ণ ৰখা।

পৃথিবীৰ বৰ্ত্তমান অৱস্থাত দেখা যায় যে কিছুমান মুছলমান ৰাষ্ট্ৰত আৰু শান্তি আৰু সম্প্ৰীতিৰ নীতি সম্পূৰ্ণৰূপে উলংঘা কৰা হৈছে। আৰু এক শ্ৰেণীৰ লোকৰ বিৰোদ্ধে আন এটা শ্ৰেণীৰ লোকৰ মনত বিদ্বেষৰ বীজ সিচী দিয়া হৈছে। ফলত অহিংসাৰ সূত্ৰপাত হৈছে। এইটো ইছলাম ধৰ্ম্মৰ শিকনীৰ দোষ নহয়। কিছুমান ঠেক মনোভাৱৰ লোকে ৰাজনৈতিক স্বাৰ্থপৰতাৰ হেচাতহে এনে এটা পৰিস্থিতিৰ সৃষ্টি কৰিছে। ইছলামৰ দৃষ্টিত এওলোক গুণাহপাৰ।

ইছলামত সন্নিবিষ্ট কৰা আদৰ্শ সমূহৰ ভিতৰত ঐক্য আৰু সংহতিৰ বিষয়ে হয়তো বহুতৰ মনত কিছুমান ভুল ধাৰণা আছে। সেইসকলৰ জ্ঞাতাৰ্থে উল্লেখ কৰি থওঁ যে ইছলামিক চিন্তাধাৰৰ জীৱনীশক্তিৰ মৌলিক সত্য এই যে ই ঐক্যবোধৰ ওপৰত আটাইতকৈ বেছি গুৰুত্ব দিয়ে। অৱশ্যে ইয়াৰ মুলত আছে পৰম কৰোনাময় আল্লাৰ একেশ্বৰবাদ ধাৰণা। মুছলমান

সকলৰ মতে আল্লা অদ্বিতীয় । তেওঁ আৰু তেওঁৰ সৃষ্টি অৰ্থাৎ মানবতাৰ মাজত কোনো বাধা নাই। এনে এটা ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত হোৱাৰ বাবে ইছলামৰ দৃষ্টিভঙ্গিত ঐক্য আৰু সংহতিয়ে যথেষ্ট গুৰুত্বপূৰ্ণ স্থান পাইছে ।

ইছলামত যি ধৰণেৰে বিশ্বভ্ৰাতৃত্বৰ ভাব জগাই তোলা হৈছে বিশ্ব ইতিসাহত ইয়াৰ নিদৰ্শন অতি বিৰল । প্ৰত্যেক মুছলমানৰ মানসীক বিকাশ সাধন কৰা হয় এই ধাৰণাৰ ভিত্তিত। আৰু এই ভাবে প্ৰত্যেক মুছলমানক অন্যায় আৰু অবিচাৰ পথ এৰি ন্যায় আৰু সুবিচাৰৰ পথ অতিক্ৰম কৰিবলৈ প্ৰেৰণা যোগায় । এইদৰেই ইছলামে প্ৰেম আৰু সহানুভূতিৰ ভাব জগাই তোলে । বহুতৰ মনত আশংকা হয় মুছলমানসকলৰ বিশ্ব-ভ্ৰাতৃত্ব ভাবে জাতিয় স্বাৰ্থ বিঘিনি ঘটাব পাৰে । এনে ধাৰণা সম্পূৰ্ণৰূপে ভিত্তিহীন । কোনো এজন ব্যক্তি বা কোনো এটা গোষ্ঠীয়ে নিজৰ ঘৰখন, নিজৰ অঞ্চল বা নিজৰ দেশৰ স্বাৰ্থৰ প্ৰতি উদাসীন ভাব দেখুৱাই বিশ্বমানবৰ প্ৰগতিৰ বাবে কোনো ধৰণৰ অৰিহনা যোগাব নোৱাৰে । আনহাতে বিশ্বভ্ৰাতৃত্ব দৰে এটা বহল দৃষ্টিভঙ্গিয়ে জাতিয় স্বাৰ্থৰ হকে কাম কৰিবলৈ উদ্‌গনি দিব ।

মোৰ বিশ্বাস যে জাতিয় ঐক্য আৰু সংহতিৰ ক্ষেত্ৰত ইছলামৰ বাহিৰে আৰু বহুতো ধৰ্ম্মই অৰিহনা যোগাব পাৰে । মানবৰ প্ৰতি সন্মান দেখুৱা আৰু প্ৰেম আৰু সম্প্ৰীতিৰে মানবতাৰ সত্তা অক্ষুন্ন ৰখাটো সকলো ধৰ্মৰ মূল নীতি । কিন্তু ৰাজনৈতিক বা দলীয় স্বাৰ্থপৰতাৰ কবলত পৰি আমাৰ বহুতেই এই সত্যৰ প্ৰতি উদাসীন হৈ পৰিছে। বিভিন্ন ধৰ্ম্ম গোষ্ঠীত থকাৰ বাবে তেওঁলোকৰ মনত পৰস্পৰ বিৰোধী ভাব জাগি উঠে । ধৰ্ম্মৰ মূল অহিংসা নীতিৰ পৰা আতৰি গৈ তেওঁলোক হিংসাৰ লিপ্ত হৈ পৰে । ৰাষ্ট্ৰীয় ঐক্যৰ বাবে এনে অৱস্থা যথেষ্ট ক্ষতিকৰ । এনেকুৱা পৰিস্থিতিৰ পৰা দেশখনক মুক্ত কৰিবলৈ হলে ধৰ্ম্মৰ মূল নীতি যেনে অহিংসা, প্ৰেম, সমপ্ৰীতিৰ আদিৰ ওপৰত বিশ্বাস অনা একান্ত প্ৰয়োজন । ব্যক্তিগত সত্ত্বা অক্ষুন্ন ৰাখিবলৈ হলে জাতিয় ঐক্য অটুট ৰাখিব লাগিব । ইয়েই প্ৰকৃত দেশ প্ৰেমৰ পৰিচয় দিয়ে । দেশ প্ৰেমৰ এনে আদৰ্শৰে অনুপ্ৰাণীত হৈ কবি ইকবালে গাইছিল –

"হিন্দুস্তান হামাৰা চাৰা জাহাঁনচে আচ্ছা
হম বুল বুলে হ্যায় ইছকী য়ে গুলিস্তান হামাৰা।

★ লেখনি সমূহ অধিক স্পষ্ট নোহোৱাৰ বাবে কিছু ভূল-ভ্ৰান্টি থাকি যাব পাৰে তাৰ বাবে বিশেষ ক্ষমাবে ।

# জীৱন স্মৃতি

ইন্দুপ্ৰভা বৰঠাকুৰ
অধ্যাপিকা

অসমৰ সাংস্কৃতিক ইতিহাসৰ বিষয়ে গবেষকসকলে লিখা ৰচনাৰ পৰা এইটো বুজা যায় যে উনবিংশ শতিকাৰ শেষভাগৰ পৰা বিংশ শতিকাৰ আগ ছোৱালৈকে অসমত স্ত্ৰীশিক্ষাৰ প্ৰচলনৰ কাৰণে এক প্ৰকাৰৰ সামাজিক আন্দোলন কৰি থাকিব লগা হৈছিল। তাহানিৰ কোনো কোনো অসমীয়া আলোচনীৰ পাতত ছোৱালীক অক্ষৰ জ্ঞান দিয়া উচিত নে অনুচিত অথবা ছোৱালীক লৰাৰ সমানে সমানে পঢ়ুৱাব লাগে নে নালাগে সেই বিষয়ে ৰসাল বাক-বিতণ্ডাও প্ৰকাশ হৈছিল। কিন্তু স্বাধীনতাৰ পিচত আৰু সেইবোৰ বাকবিতণ্ডা অবান্তৰ আৰু অনাবশ্যকীয় হৈ পৰিল। অসমৰ মধ্যবিত্ত সমাজে ছোৱালীক পঢ়ুওৱা প্ৰথা সহজ ভাৱে লবলৈ লাগিল। এই প্ৰবন্ধৰ লিখিকায়ে সেই সময়তে বিদ্যাৰম্ভ কৰিছিল।

ছাত্ৰী হিচাবে মোৰ শিক্ষাকাল ১৯৫৩ চনৰ পৰা ১৯৭০ চনলৈকে আছিল। ১৯৫৩ চনত মই গুৱাহাটীৰ উজান বজাৰৰ এখন ছোৱালীৰ প্ৰাথমিক স্কুলত নাম লগাওঁ। "নাম লগাওঁ" বুলি এইবাৰেই কৈছো যে মই নিজে গৈ ঘৰৰ কাষৰ সেই স্কুলখনত মাষ্টৰনীক দেউতাৰ নামটো কৈ "ক" শ্ৰেনীত নাম লগাওঁ। মোৰ বয়স তেতিয়া ৫ বছৰ আছিল। হয়তো মোৰ বয়সৰ বহুতো ছোৱালীয়ে নিজে গৈ নাম লগাইছিল। তেতিয়া admission test দিয়া প্ৰপত্ৰ পূৰ কৰা আদি কাম অভিভাৱকে গৈ কৰিব নালাগিছিল। জনসংখ্যা কম আছিল। ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও কম আছিল — স্কুলো তেনেকৈ কম সংখ্যক আছিল ১৯৭০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ লগে লগে মোৰ ছাত্ৰী জীৱনৰো অন্ত পৰিল

মোৰ সময়ৰ ছাত্ৰী জীৱন আৰু এতিয়াৰ ছাত্ৰী জীৱনৰ মাজৰ কেতবোৰ পাৰ্থক্যৰ কথা কব খুজিছো। আমাৰ সময়ত স্ত্ৰীশিক্ষাৰ প্ৰসাৰে ছোৱালীৰ মাজত কেৰিয়াৰ (career) নিৰ্মান মনোবৃত্তিও ধীৰে ধীৰে সুমুৱাই দিছিল আগতে বোধহয় বিয়াৰ বজাৰলৈ দৃষ্টি ৰাখি স্ত্ৰীশিক্ষা দিয়া হৈছিল। লৰাই শিক্ষিতা ছোৱালী বিচাৰে দেখি বিয়া নোহোৱালৈকে ছোৱালীক পঢ়ুৱাই থকা হৈছিল যেন লাগে।

মোৰ একশিক্ষিত পৰিয়ালত জন্ম। মোৰ দেউতা স্কুল শিক্ষক আছিল। কিন্তু ডাঙৰ বাইদেৱে স্কুলৰ সুবিধা থকা সত্বেও ষষ্ঠমান শ্ৰেণীলৈকে পঢ়িবলৈ পালে। তাৰপাচতে তেওঁৰ বিয়া হল। কিন্তু এতিয়াও বিয়াৰ ওপৰত গুৰুত্ব দিয়া হয় যদিও ছোৱালীৰ ইচ্ছাৰ বিৰুদ্ধে তেওঁৰ শিক্ষাৰ সমাপ্তি ঘটোৱা নহয়। অৱশ্যে ঘৰুৱা অসুবিধাৰ বাবে অনেক ছোৱালী উচ্চ শিক্ষাৰ পৰা এতিয়াও বঞ্চিতা হৈ থাকে। গতিকে দেখা যায় যে এতিয়া অভিভাৱক সকলে লৰাৰ সমানেই ছোৱালীৰ শিক্ষাৰ ওপৰতো গুৰুত্ব দিয়ে।

এতিয়া লৰা ছোৱালীয়ে শিক্ষাৰ ক্ষেত্ৰত ঘৰত বা বাহিৰত পোৱা সা-সুবিধাৰ কথালৈ আহো। আজিকালিৰ অভিভাৱক সকলে লৰা-ছোৱালীৰ পঢ়াৰ খবৰ কৰে বুলি ভবা হয়। কিন্তু অনেক ক্ষেত্ৰত টিউচন লগাই দি অভি-ভাৱকে দায়িত্ব সাৰণ দেখা যায়। আমাৰ সময়ত কি লৰা কি ছোৱালী সকলোৱে পুৱা গধূলী ঘৰত কিতাপ লোৱাৰ নিয়ম আছিল। ৰেডিও, টেইপ, ৰেকৰ্ডপ্লেয়াৰ (গ্ৰামোফন) আদি তেতিয়াও আছিল মাথো টিভিহে নাছিল। আমাক কিন্তু সেইবোৰ শুণাত কিছু বাধ্য বাধকতা আছিল। স্কুল কলেজ নথকা সময়ত ছোৱালীবোৰ ঘৰতে সৰহভাগ সময় থকাৰ দস্তুৰ আছিল। ঘৰুৱা কাম কাজত আমি সহায় কৰি দিছিলো লৰাবিলাকে অৱশ্যে বিশেষাধিকাৰ উপভোগ কৰিছিল। এতিয়াও দেখিছো সৰহভাগ পৰিয়ালত ছোৱালী বিলাকৰ চলন ফুৰনত কিছু নিয়ন্ত্ৰন আৰু শাসন কৰা হয়। বোধ হয় সেইনিমিত্তেই ছোৱালী বিলাকৰ মাজত উদ্ভণ্ডালি কম আৰু তেওঁলোকে পৰীক্ষা[তো] ভাল ফল দেখুৱায়।

বাপেক মাকৰ শাসন থকা স্বত্বে[ও] এতিয়াৰ ছাত্ৰীসকল আমাৰ সময়তকৈ বেছি মুকলি মূৰীয়া আৰু সাহসী। আমাৰ সময়তে যে ছোৱালী চুকভেকুলী আছিল তেনে নহয়। আমাৰ সময়ত N. C. C বাধ্যতামূলক আছিল। খেলাধূলাতো ছোৱালীয়ে পাৰ্গতালি দেখুৱাই ছিল। আনুষ্ঠানিক শিক্ষাৰ লগতে সঙ্গীত চিত্ৰকলা আদিবো অভ্যাস কৰিছিল। নগৰীয়া অঞ্চলত বোৱা কটাৰ ঠাই লৈছিল বেজীসূতাৰ কাম, উলৰ কাম ইত্যাদিয়ে। এতিয়া কিন্তু ছাত্ৰী সকলৰ সুবিধা সৰহ হৈছে। আগতে পৰা টাইপ চৰ্টহেন্দতো আছিলেই। এতিয়া বহুতো ছোৱালীয়ে পঢ়াৰ মাজতো সময় উলিয়াই চিলাই কৰাই কম্পিউটাৰ আদি শিকিবলৈ লৈছে। সুবিধাৰ সদ ব্যৱহাৰ কৰিবলৈ লোৱাটো আৰু তেনে কৰিবলৈ অভিভাৱক সকলে উদগনি দিয়াতো সজ কথা হৈছে।

এতিয়াৰ ছোৱালীয়ে বাতৰি কাকত আলোচনী আদি পঢ়ি চিনেমা চাই, টি ভি চাই আৰু দেখাক দেখি অনেক কথা শিকিব পাৰে। তেওঁলোকৰ সাধাৰণ জ্ঞান আমাৰ সময়ৰ ছোৱালীতকৈ অধিক যেন লাগে। তেওঁ-লোকে দেশ বিদেশৰ খা-খবৰ ৰাখে। ছোৱালী স্বাভাবিকতে লাহ বিলাস কৰি বা অঙ্গসজ্জা কৰি ভাল পায়। ৰন্ধা বঢ়াৰ প্ৰতিও তেওঁলোকৰ সহজাত আকৰ্ষণ এটা থাকে। তদুপৰি ঘৰখন সজাই পৰাই ৰাখিবলৈকো ভাল পায় যলৈ সাধাৰণতে লৰাইতে কৰ্ণপাত নকৰে ওপৰোক্ত সকলো বিষয়তে এতিয়াৰ ছোৱালী

বিলাক আগবঢ়া আৰু তেওঁলোকৰ নতুন কথা শিকাত অধিক আগ্ৰহী যেন লাগে।

আমি পঢ়ি থকাৰ সময়তো ছাত্ৰৰ মাজত উশৃঙ্খলতা আছিল। তেতিয়া অৱশ্যে উশৃঙ্খলতাৰ বৰ্ণনা কম আছিল তাৰ সামাজিক অৰ্থনৈতিক বা নৈতিক কাৰণ অনেক থাকিব পাৰে। সেই বিলাকলৈ নগৈ নিজৰ অভিজ্ঞতাৰ পৰা কব পাৰো যে ছাত্ৰীসকলৰ মাজত উশৃঙ্খলতা আপেক্ষিক ভাবে কম। ছাত্ৰসকলো মোৰ সমানে মৰমৰ পাত্ৰ। হয়তো স্বভাৱিক চপলতাৰ কাৰণে তেওঁলোক কেতিয়াবা কেতিয়াবা উদণ্ড হৈ পৰে কিন্তু মোৰ উদণ্ড ছাত্ৰৰ পৰাই মই অভাবনীয় ৰূপে অযাচিত ভাবে উপকাৰ পাই আহিছো প্ৰাক্তন ছাত্ৰীসকলেও লগ পালে ওচৰ চাপে। গতিকে মই ভাবো আজি ছাত্ৰশিক্ষকৰ সম্পৰ্ক যদি যন্ত্ৰবত হৈছে তাৰ কাৰণে শিক্ষকসকলে ছাত্ৰসকলক মিলিবলৈ সময় দিব পৰা নাই অথবা ছাত্ৰ সকলেও সামাজিক ভাবে শিক্ষক সকলক লগ পাবলৈ সুবিধা পোৱা নাই।

মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ প্ৰফেচাৰ ডঃ ভেঙ্কটৰাৱৰ কথা পাহৰি নোৱাৰো। চাৰে লৰা ছোৱালী বিলাকক নিজৰ পুত্ৰ কন্যা জ্ঞান কৰিছিল সেইদৰে মোৰ ছাত্ৰী জীৱনত লগ পোৱা কেবাজনো শিক্ষক শিক্ষয়িত্ৰীক এতিয়াও শ্ৰদ্ধাৰে সোঁৱৰো। মোৰ যি কিজন ছাত্ৰই উশৃঙ্খলতাৰ বাবে দুৰ্নাম আৰ্জিছিলে। যাক মই কটু কথা কৈছিলো কলেজৰ বাহিৰত বোধহয় তেওঁলোকৰ পৰাই আশা নকৰা ধৰনৰ সহায় পাইছো। হয়তো অৱস্থাই বা পৰিবেশে নাইবা তেওঁলোকৰ স্বাভাৱ সুলভ চপলতাই তেওঁলোকক উশৃঙ্খল কৰিছিল। এইবিলাক কাৰণতে মই ছাত্ৰছাত্ৰী সকলৰ ওপৰত আস্থা ৰাখো।

গুৰুশিষ্যৰ সম্বন্ধৰ বিষয়ত কব খোজো যে ছাত্ৰশিক্ষকৰ মাজত নিবিড় সম্পৰ্ক স্থাপন হলেহে এই সম্বন্ধ মধুৰ আৰু স্থায়ী হয়। ছাত্ৰ শিক্ষকৰ সংখ্যাৰ অনুপাত বিষয় হোৱা হেতুকে আৰু অনান্য কাৰণত ছাত্ৰ আৰু শিক্ষকৰ সম্পৰ্ক বৰ্ত্তমান কিছুপৰিমানে যন্ত্ৰবং হৈছে। আমি ছাত্ৰী অৱস্থাতে পোৱা শিক্ষয়িত্ৰী প্ৰফেচাৰ আদি অনেকৰ মৰম স্নেহৰ স্মৃতি এতিয়াও পাহৰা নাই। বিশেষকৈ গুৱাহাটী বিশ্ববিদ্যালয়ক ৰাজনীতি বিজ্ঞানৰ অধ্যাপক ডঃ বেঙ্কেটৰাওৰ কথা কেনেকৈ পাহৰিম? অন্ধ্ৰ প্ৰদেশৰ পৰা আহি অসমকে নিজৰ বুলি লৈ ইয়াতেই বাস কৰা ত্যাগী পুৰুষ ডঃ ৰাওৰ ছাত্ৰছাত্ৰী সকলৰ প্ৰতি অকৃত্ৰিম মৰম আৰু বদান্যতাৰ কথা নুসুঁৱৰিলে অকৃতজ্ঞ হৈ ৰম। আমি যেনেকৈ ডঃ ৰাও চাৰক শ্ৰদ্ধা কৰিছিলো এতিয়াৰ ছাত্ৰ ছাত্ৰীয়েও নিশ্চয় যোগ্য শিক্ষকক তিমানেই শ্ৰদ্ধা কৰে। মই ভাবো এতিয়াৰ ছাত্ৰছাত্ৰী সকলেও যোগ্য জনক শ্ৰদ্ধা কৰে।

ছাত্ৰীসকলৰ "কেৰিয়াৰ, ৰ বিষয়ে উল্লেখ কৰিছিলো। অসমীয়া ছোৱালী "কেৰিয়াৰ মাইন্দেড হৈছে যদিও সংসাৰ নেওটি আত্মপ্ৰতিস্থা কৰিবলৈ ওলোৱা নাই যেন লাগে। সৰহভাগ ছোৱালীয়ে সংসাৰ কৰিবলৈ বিচাৰে। এতিয়াৰ ছোৱালীয়ে লৰাৰ সমানে সমানে বিভিন্ন বিভাগত কামত সোমাইছে তাতকৈ শুভলক্ষন এই যে তেওঁলোকে স্কুল কলেজত শিক্ষকতা কৰিবলৈ হৈছে। মাতৃ সকল সুশিক্ষিতা হলে ভবিষ্যতৰ সন্তান সকলো ভাল হব বুলি নিশ্চয় আশা কৰিব পাৰো।

[গল্প]

## অট্টালিকাৰ পৰা

শ্ৰীভুবন জ্যোতি বৰুৱা
স্নাতক, দ্বিতীয় বৰ্ষ

সিদিনা বুধবাৰ। পুহ মহীয়া জাৰ অতি-পাত হিম পৰিছে, ডাৱৰবোৰে আকাশত খেলা কৰিছে যাতে সূৰ্য্যৰ পোহৰে পৃথিৱী চুব নোৱাৰে। সহকাৰী নিয়োগ বিষয়া অনুপম দাস অফিচলৈ যাবলৈ সাজু হৈয়ো নগল বতৰৰ অৱস্থা দেখি হয়তো অলপ সময়ৰ পাছতে বৰষুণ আহিব পাৰে। গতিকে জোতা, টাই আদি নোখোলা-কৈয়ে তেওঁ ৰহী পৰিল এখন আৰামী চকীত। ছমহলীয়া ঘৰটোৰ ওপৰত।

স্কুলত ওপৰ শ্ৰেণীৰ পৰীক্ষা চলি থকা বাবে ডাঙৰ লৰা অজয় আৰু বিমলৰ ক্লাছ বন্ধ হৈ আছে। সেয়েহে সিহঁত দেউতাক বহাৰ ওচৰতে টেবুল টেনিছ খেলাত ব্যস্ত। ৫ বছৰীয়া ছোৱালী মাইনু আই দেউতাকৰ কোলাত বহিল দুয়ো বাপেক জীয়েকে অজয় বিমলৰ খেল চাই আনন্দ উপভোগ কৰিছে। মাজে সময়ে তাই দেউতাকক দুই এটা প্ৰশ্ন সোধি আমনি কৰিছে। দেউতাকে তাইক উত্তৰবোৰ সহজভাৱে দি গৈছে।

দহ বজালৈকে দেউতাকক তেনেকৈ বহি থকা দেখি অজয়ে মাজতে খেলিবলৈ এৰি দেউতাকক "সুধিলে, দেউতা, আপুনি আজি অফিচলৈ নাযায় নেকি ?" 'নাযাওঁ অ' বাৰু মন যোৱা নাই !' 'আপোনালোকে যাব মন গলে যায় আৰু মন নগলে নাযায় নহয়নে দেউতা ?' এইবাৰ প্ৰশ্ন কৰিলে বিমলে 'আঃ ইয়াৰনো তহঁতৰ মূৰ ঘমাব লগীয়া হ কিয় ? তহঁতে খেলচোন তহঁতৰ খেলকে চাও। দেউতাকে বিৰক্তিৰে কলে।

'কামলৈ নগলেও আমাৰ দেউতা পইচা পাই থাকে। তোমালোকে নাজা নেকি ?' কনমানি মাইনোৱে দেউতাকৰ ওকালতি কৰিলে।

'অ সেইবাবে, কিন্তু আমাৰ ধনীৰামে ওচৰত দুদিন কাম কৰিবলৈ নহা বাবে যে দুদিনৰ হাজিৰা বাদ দিয়াৰ ওপৰি গালি ধমক খাব লগা হৈছিল কিয় ? সিহঁত দুখীয়া আৰু আমি ধনী। সেইবাবে ? অজয়ে ভনীয়েকলৈ চাই কলে।

মাইনুৱে ককায়েকৰ কথাৰ অৰ্থ বুজি নোৱাৰি দেউতাকৰ মুখলৈ চালে। দেউতাকে খঙ

অজয়লৈ ঘোপাকৈ চালে। অজয়ে দেউতাকলৈ নাচাই ছুঁয়া কৰাই ভাই খেলাত ব্যস্ত হৈ পৰিল।

এনেতে হঠাৎ ৰাস্তাৰ ফালে চাই ঠিক ঠিকৈ হাঁহি দিলে। মাইনুৱে হাঁহিবলৈ ধৰাত দেউতাক আৰু ককায়েক হতে একো বুজিব নোৱাৰি ৰাস্তাৰ ফালে চাই দেখে এগৰাকী ৫০ ৬০ বছৰ বয়সীয়া বুঢ়ী মানুহ। পিন্ধনত এখন মলিয়ন মেখেলা-চাদৰ আৰু মাজে মাজে ফাটি উৰলি যোৱা এটি ব্লাউজ। মলিয়ে পোত যোৱা ব্লাউজটোৰ ৰং হয়তো কাহানিবাই হেৰাই গল। বাওঁ কাষলতিৰ তলত এটি ফটা কাপোৰৰ টোপোলা আৰু সোঁ হাতত এডাল লাখুটি লৈ এই হাড়কপোৱা জাৰৰ দিনত তাই ৰাস্তাই ৰাস্তাই ঘূৰিছে লোকৰ ঘৰৰ চোতালে চোতালে এমুঠি অন্নৰ কাৰণে হাবাথুৰি খাই ফুৰিছে, বস্ত্ৰৰ অভাৱৰ প্ৰতি কাননাৰ নাই, কোনো মতে শৰীৰটো ঢাকি ৰাখিব পাৰিলেই হল। কাৰণ ইমান দিনৰ অভিজ্ঞতাত তাই হয়তো বুজি উঠিছে যে অধিক বিচৰাটো পাপ। এমুঠি অন্নৰ কাৰণে যিবোৰ মানুহে তাইক ভেকাহি মাৰিছে, ঘৰৰ চাৰিসীমাৰ পৰা বাহিৰ কৰি দিছে, সেইবোৰ মানুহৰ ওচৰত এডোখৰ বস্ত্ৰ ভিক্ষা কৰাটো জানো অপৰাধ নহয়?

গাৱঁৰ এমূৰৰ পৰা ঘৰে ঘৰে তাই এইবাৰ আহিছে অনুপম দাসৰ ঘৰলৈ। কাষলতিৰ টোপোলাটো অলপ হলেও গধুৰ কৰিবলৈ অলপ আগতে দাসৰ পত্নী ঘৰৰ পৰা ওলাই যাওঁতে গেটখন ভালকৈ মাৰি থৈ যোৱা নাছিল। গতিকে বুঢ়ীজনীয়ে গেটখন খুলি ভিতৰ সোমাবলৈ বিচাৰিছিল কিন্তু গাৰ সমস্ত শক্তি প্ৰয়োগ কৰিও তাই গেটখন খুলিব নোৱাৰিলে।

তাকে দেখি অনুপম দাসে লগুৱা ধনীৰামৰ ওপৰত গৰ্জি উঠিল, 'ঐ ধনীৰাম ক'ত আছ? গেটখন বন্ধ কৰি দে আৰু সেই বুঢ়ীজনীক পদূলীৰ পৰা আঁতৰাই পঠিয়া।'

মালিকৰ আদেশত ধনীৰামে গেটখন ভালকৈ বন্ধ কৰি বুঢ়ীজনীক তাৰ পৰা আঁতৰি যাবলৈ কলে। কিবা এটা পোৱাৰ আশাত তাই ধনীৰামৰ মুখলৈ চাই থাকিল। ধনীৰামেও কিছুপৰ তাইলৈ চাই ৰ'ল। কাৰণ সিও বুজে নিঃকিন লোকৰ দুৰ্দশাৰ কথা অনুপম দাসৰ ডুমডুলীয়া ঘৰটোৰ পৰা বুঢ়ীজনীৰ দৰে সিও যে বহু আঁতৰত। খন্তেক পাছত ধনীৰাম বিষন্ন মনেৰে ভিতৰলৈ সোমাই গল। নীৰৱে ভগৱানক প্ৰাৰ্থনা কৰিলে তাক যেন ভগৱন্তই দুখ নধৰে।

ওপৰ মহলাত অজয় বিমলে দেউতাকলৈ চাই অবাক হৈ ৰল। কোনে জানে কুমলীয়া মনত সেইদিনা কিমান মচিব নোৱাৰা গভীৰ মাট বৈ গল।

# পিতাইলৈ পত্ৰ

শ্ৰী বিদিপ হুৰবা
স্নাতক ২য় বাৰ্ষিক
( পুৱা )

ৰস ৰচনা

( 'প' বৰ্ণৰ )

প্ৰেঃ পোন্ধৰ পুহ

পৰম

পুজনীয়

পিতাই ।

প্ৰথমে পত্ৰৰ পৰাই প্ৰণাম ও প্ৰণিপাত পঠালো । পিতাই, পৰহি পুৱা পিতাইয়ে পঠিওৱা পত্ৰখন পদ্মেশ্বৰ পিয়নৰ পৰা পালো।

পিতাই, পৰমেশ্বৰৰ প্ৰেৰণাত প্ৰতিবাৰে পৰীক্ষাত প্ৰথম পজিচন পোৱা পংকজ প্ৰতীম পাংগিঙক পোন প্ৰথমবাৰলৈ পত্ৰ লেখকে প্ৰথম পজিচন পাই পাছ পেলালো । পুনৰ পাছলৈও প্ৰথম পজিচন পাবলৈ প্ৰস্তুতি পাতিছো ।

পুহৰ পুৱতি পুৱাৰ পোহৰত প্ৰত্যেক পুৱাৰ পথাৰৰ প্ৰাত: ভ্ৰমনতেই পোনাকণক পানীলগা পীড়াই পাইছে । পত্ৰ প্ৰেৰনৰ পৰলৈকে পোনাকণৰ পানীলগাৰ প্ৰকোপ পনীয়া পৰ্য্যায় পাইছেহি । পিতাই, পাৰহৈ যোৱা প্ৰলয়ংকাৰী পানীৰ প্ৰচণ্ড পকনীয়াই পুৱনি পামখনত প্ৰচুৰ পৰিমানে পলস পেলালে। প্ৰলয়ংকাৰী পানীয়ে পুৰনি পানী গাওঁখনো প্ৰায় পিচুৱাই পেলালে । পৰহি পুৱা পানীগাঁ পঁয়ালগা পণ্ডিতে পুৰনি পঢ়াশালিৰ প্ৰেক্ষা প্ৰাংগনত পথাৰত পোৱা পোকৰ প্ৰকো প্ৰায়বোৰ প্ৰজা পয়মালত পৰাত প্ৰাগজ্যোি পুৰৰ প্ৰধান পথাৰ পৰিষদলৈ পানীগাঁ পথাৰৰ পৰিস্থিতি প্ৰতিকাৰৰ প্ৰস্তাৱ পঠা পাঙিছে। পিতাই পাৰিলে প্ৰেক্ষাগৃহ প্ৰাংগ পাঁচছ পুহৰ পুৱা পাঁচটা পাঁচত পদ পেলাবাহি ।

পিতাই, পানীৰাম পেহাৰ পু পিলিঙা প্ৰেমেশ্বৰলৈ পুৰনি পামৰ প্ৰণী পঠোৱা প্ৰেমপত্ৰখন পিয়নৰ পৰা পানী পেহাই পাই পুনৰ প্ৰনিতাৰ পিতাক পোন পাংগিঙলৈ পঠালে। পানীৰাম পেহাই প পত্ৰখন প্ৰণিতাই পাই পায়খানাৰ পিছফ পাকঘৰলৈ পিঠি দি পিৰিক পাৰাককৈ পঢ়া পিতাক পোনাধৰে পাছফালৰ পৰা পাক

পাগমাৰিয়ে প্ৰনিতাক পিঠিতেই পিতিল।

প্ৰনিতাই পিতাকৰ পিটন পাই পেন-পেনাই পেহীয়েকৰ পঁজা পালেগৈ। প্ৰনিতাক পিটাত পোনাধৰৰ পটকৰে পেচলগা পত্নী পটেশ্বৰী পাংগিঙে পাকঘৰত পেক পেকাওতেই পোনাধৰে পিছফালৰ পৰা পত্নীকো পাগমাৰিয়ে পকাত পেলাই পেলাই পিটিলে।

পোনাধৰে পত্নীক পিটাৰ পৰিপ্ৰেক্ষিত-তেই পানীগাঁৱৰ প্ৰত্নাই পোনাধৰৰ পঁজা পৰিত্যাগৰ প্ৰস্তাৱ পাতিছে।

পিতাই, পঞ্জাৱৰ পৰা পাবিলে পোনা-কনলৈ পঞ্জাৱত পোৱা পুতলা পিঠৈল, পত্ৰলেখক-লৈ পেণ্টৰ পিচ পাচঁটা, পায়জামা পাচঁটা পেক কৰি পিঠিতে পেলাই পঁচিছ পুহৰ পুৱাতে পাবাহি।

পিতাই, পথাৰলগীয়াথিনি পত্ৰৰযোগেই পঠালো। পুনৰ পৰমেশ্বৰলৈ প্ৰণিপাতেৰে

× ÷ ×

## মালবিকা সংসাৰ

শ্ৰী বিশ্ববিজয় ফুকন
স্নাতক প্ৰথম বাৰ্ষিক

ভাদমহীয়া দাৱৰীয়া বতৰটোৱে মাল-বিকাৰ অকলশৰীয়া মনটোক আৰু অকলশৰীয়া কৰি পেলালে। মনটো ভাল লগোৱাৰ মানসৰে তাই বিশেষভাবে ভাল পোৱা পংকজ উধাছৰ কেছেতটো টেপত ভৰাই অন কৰি দিলে। গীতৰ কলি শুনা মাত্ৰকে তাইৰ মনৰ পখিটি উৰা মাৰিলে সুদূৰ অতিতলৈ — পাৰ হৈ অহা দিনবোৰৰ কথা মনত পৰিলে মালবিকাৰ কিবা সপোন সপোন লাগে। নাভাবো নাভাবো বুলিও তাই অতীতৰ কথা বিলাক বাৰে বাৰে মনলৈ ভাহি আহে। আচলতে দাৱৰীয়া বতৰটোৱে তাইৰ মনটো দাৱৰীয়া কৰি পেলাইছে।

মৃত্যু এক কৰুন সত্য তাই মৃত্যুক ওচৰৰ পৰা দেখা পাইছিল। মৃত্যু যে কি এক সংঘাত কি এক বুজাব নোৱাৰা বেদনা। ৰঞ্জনৰ মৃত্যুৱে দেখুৱাইছিল মৃত্যুৰ ভয়াবহতা। তাই কল্পনাও কৰা নাছিল ইমান সোনকালে তাইৰ সংসাৰখন ভাঙি ঠান বান হৈ যাব বুলি। দুটা লৰা ছোৱালীৰ সৈতে মালবিকাক ৰঞ্জনে এৰি থৈ গুচি গল। ৰঞ্জনৰ দহ-কাজৰ সকলো কাম শেষ কৰি দুয়ো পৰিয়ালৰ মানুহবোৰ ঘৰা ঘৰি গুচি গৈছিল আৰু তাৰ পাছৰ পৰাই আৰম্ভ হৈছিল তাইৰ অকলশৰীয়া জীৱনটো। ড'ঙৰ জেশাহুৰেক বিমলাই যাবৰ সময়ত তাইক কইছিল — "এতিয়া তই বিধবা ছোৱালী নিজকে চম্ভালি চলিবি, সকলো কথাতে সাৱধান হবি আগৰ দৰে তই সকলোৰে লগত হলি গলি নকৰিবি। হাবিৰ পশুবোৰক বিশ্বাস কৰিলেও এইখন সমাজৰ পশুবোৰক বিশ্বাস নকৰিবি. ৰঞ্জন থাকোতে কথাটো বেলেগ আছিল। ডাঙৰ জেশাহুৰেকৰ এনেকুৱা বুকুত হলে বিন্ধা কথা-বোৰ সহ্য কৰিব নোৱাৰ তাই চিঞৰি চিঞৰি কান্দি দিছিল। তাইৰ কান্দোনক বাধা দি সৰু জেশাহুৰেক মিহুৰে মলম কৰি কইছিল মালবিকা তুমি এই বোৰ একো নাভাবিবা যি হব লগা আছিল হৈ গল। হাতত টকা এহেজাৰ গুজি

দি কৈছিল । বিপদ হ'লে আমালৈ লিখিবা আমি আছো নহয় । মালবিকাই মাত্ৰ পুটলাৰ নিচিনা জড়ৰ দৰে শুনি গল । তাইৰ মনত পৰিছিল ৰঞ্জনে মৃত্যুৰ আগমুহূৰ্তত কৈ যোৱা কথাবোৰলৈ ।

ৰঞ্জনে মৃত্যুশয্যাত পৰি থাকোতেই যন্ত্ৰণা কথাৰ মাজতে মালবিকাৰ তুৰ সম্বন্ধীয় অনুপৰ আগত এদিন কৈছিল - "মোৰ মৃত্যু হলে মালবিকাক যেন কেতিয়াও মোৰ মা-দেউতাইতৰ ঘৰলৈ নপঠোৱা, কাৰণ তাই তাত বস্তুবোৰ কাৰণত কষ্ট পাব । এনেদৰেই মালবিকাক দেখা শুনাৰ কাৰণে দায়িত্ব ৰঞ্জনে দি গৈছিল অৰুপৰ হাতত ।

ৰঞ্জনৰ মৃত্যুৰ লগে লগে দেখা দিয়া নানান ধৰণৰ সমস্যাবোৰে মালবিকাক বাহিৰলৈ ওলাই আহি চাকৰিৰ সন্ধান লবলৈ বাধ্য কৰাইছিল । চাকৰিৰ বাবে ঘুৰি ফুৰি প্ৰথম পদক্ষেপ দিছিল এটা কোম্পানীত । মালবিকাই জনা নাছিল চাকৰী পাবলৈ হলে ইমানবোৰ সমস্যাৰ সন্মুখীন হব লাগে যে । সুবিধাবাদী বোৰে মালবিকাক চাকৰি দিয়াৰ প্ৰলোভন দেখুৱাই তাইৰ ওপৰত বেলুপ দৃষ্টি দিছিল । কোম্পানীৰ চাকৰি বাদ দি এইবা মালবিকাই চাকৰিৰ কাৰণে চৰকাৰৰ কাষ চাপিছিল । তেওঁলোকৰ ওচৰতো হতাশ হৈ চাকৰিৰ আশা বাদ দি ঘৰতে বহি চিলাই কৰি কাপোৰ বৈ পেটৰ ভাত মুঠি উলিওৱাৰ দিহা কৰিছিল । অকলশৰীয়া মালবিকাৰ খবৰ লোৱা মানুহৰ অভাব নাছিল । যি মানুহে ৰঞ্জন থকা অৱস্থাত চকু তুলি চাবৰ বাবে সাহস কৰা নাছিল সেই সকলো মানুহেই মালবিকাৰ দুখত দুখী হৈ সহায় কৰিবৰ বাবে আগবাঢ়ি আহিছিল । মালবিকা কিন্তু এনে ধৰণৰ প্ৰৱঞ্চক প্ৰস্তাৱ... সুবিধাবাদী সকলৰ কবলত পৰা নাছিল । মাল... বিকাৰ নিমলাৰ কথা বোলে মনত পৰিছিল...

সদায় নিয়মীয়াকৈ খবৰ লোৱা অৰুপ... বাহিৰে অন্য কোনোবা আহলে মালবিকা... ভয় লগা হৈছিল । সেয়ে অকলশৰীয়া মাল... বিকাই নি সহায় লবা ছোৱালী হিচাবে সে... মাকৰ ওচৰ চাপিছিল কিবা এক সহায় পোৱা... আশাৰে । কিন্তু দাতাই দিলেও বিধাতাই নি... য়াৰ দৰে মালবিকাৰ ডাঙৰ বোৱাৰীয়েৰ... প্ৰৰোচনাত পৰি মালবিকাৰ মাকেও তা... দায়িত্ব লব বাবে অস্বীকাৰ কৰিছিল ।

মালবিকাৰ জীৱনলৈ ধুমুহা আহিছি... ধুমুহাৰ গুৰিতে আছিল অৰুপ । সদায় মা... বিকাৰ খবৰ লবলৈ অহা অৰুপক দেখি ও... চুবুৰীয়াই বু বু বা বা কৰিছিল । মালবি... কিন্তু এইবোৰ কথা ভাবিবৰ বাবে অৱ... সময়েই নাছিল । তথাপিও মালবিকায়ে এনে... এই ধৰনৰ কথাবোৰ ভাবিবৰ বাবে বাধ্য... পৰিছিল যেতিয়া তাইৰ প্ৰায় সকলো সম্ব... মানুহেই এই একেবোৰ কথা আলোচনা ক... থকা শুনিবলৈ পাইছিল নিজ কানেৰে ... মগজুৰ সুস্থ অৱস্থাত থকাৰ সময়ত । ... ভায়েকৰ বিয়ালৈ যোৱাৰ সময়তে এই আলো... চনাবোৰ শুনিবলৈ পাইছিল । সেই কথাবো... প্ৰতিবাদ কৰি তাই মাথো কৈছিল 'সকলো ... মিছা'' মালবিকাই এইবোৰ কথা ভবাই নাই... তেনেক্ষেত্ৰত আনে কলে বুলিয়েই ।

বিয়া ঘৰত সেই কেইদিন একেবো... আলোচনাকে শুনি শুনি মোৰ গৰম ...

গৈছিল। সেইবাবে তাই খোৱাখুৱনীৰ পাছদিনাই লৰা ছোৱালী দুটাক বুকুত সাৱটি শিৱসাগৰ এৰি গুছি আহিছিল ।

বিয়াৰ পৰা আহি মালবিকায়ে অৰুণহঁতৰ ঘৰলৈ যোৱাটো বন্ধই কৰি দিছিল । কিন্তু বিধিৰ বিধান কোনে খণ্ডাব পাৰে কপালত যি লিখা আছে সি হবই । বিয়াৰ পৰা আহি লৰা ছোৱালী দুটাৰ অসম্ভৱ ধৰণে জ্বৰ হল। দুটা ৰাতি কোনো ডাক্তৰৰ ওচৰলৈ নোযোৱাকৈ পাৰ হল । কিজানি ভাল হয়েই কিন্তু তৃতীয় দিনা মালবিকাই ভয় খালে যেতিয়া লৰাটোৱে ভ্ৰম বকিবলৈ আৰম্ভ কৰিলে আৰু মুখৰ কথা যেতিয়া একো বুজিব নোৱাৰা হল । কি কৰো কি নকৰো কৰি মালবিকাৰ মূৰ ঘুৰাবলৈ ধৰিলে দুটাকে লৰা ছোৱালীৰ জ্বৰ. আকৌ লৰাটোৱে ভ্ৰম বকিছে। ডাক্তৰ মাতোনে ডাক্তৰ ওচৰলৈ কেনেকৈ যাওঁ, আকৌ এৰি থৈ যাব নোৱাৰি, দুটাকে কেনেকৈ নিওঁ মালবিকাই বৰ অকল-শৰীয়া অকলশৰীয়া অনুভৱ কৰিলে, অৰুপটো অহা হলে .... ... । মালবিকাই এটা বোকোচাত এটা কোলাত লৈ ডাক্তৰৰ ওচৰলৈকে গ'ল । ডাক্তৰৰ চেম্বাৰৰ ওচৰতে মালবিকাই অৰূপক লগ পালে, তাই সকলোখিনি বিৱৰি কলে, লগতে অৰূপক মালবিকাৰ ঘৰলৈ আহিবলৈ মানা কৰিলে ।

অৰূপৰ কিন্তু মনে নামানিলে, মালবিকাৰ মাম লগা লৰা - ছোৱালী দুটাই যেন অৰূপ মামাক চিঞৰি চিঞৰি মাতিছে । মালবিকাই আহিছিল লৰা - ছোৱালী দুটাৰ খবৰ লবলৈ । সিহঁতে যেন অৰূপ মামাক দেখাৰ লগে লগে বেমাৰ ভাল হয় । অৰূপ আজি কালি নিতৌ আহে মালবিকাৰ ঘৰলৈ লৰা - ছোৱালী দুটাৰ এৰাব নোৱাৰা মৰমত। মালবিকাও আজি কালি সমাজৰ কথাবোৰলৈ কান নিদিয়া হল ।

লৰা ছোৱালী দুটাৰ প্ৰশ্নই মালবিকাক প্ৰায় কন্দোৱাই থাকে — "মা দেউতাকত গল ??" মৃত্যু কি চিনি নোপোৱা লৰা ছোৱালী কেইটাক দেউতা বহুত দূৰলৈ ফুৰিব গৈছে বুলি কৈ সান্ত্বনা দি যায় । কিন্তু মালবিকাক এতিয়া কোনে সান্ত্বনা দিয়ে ? কন্দা দেখিলে সিহঁতে সোধে 'মা কিয় কান্দিছা ?" কি যে হৈ গল সংসাৰখন ! কিয় এনে কৰিলে ভগৱানে ?? ইমান সোনকালে ৰঞ্জনে কিয় তাইক এৰি গুচি গ'ল ???

এদিন হঠাৎ মালবিকাৰ খুড়ীয়েকৰ এখন চিঠি আহিছিল । চিঠিখন পাই তাইৰ খুব ভাল লাগিল । খুৰীয়েকৰ নিজৰে অৱস্থা নাই কেঞ্চাৰ হৈছে । খবৰ লব লাগিছিল মালবিকাই, কিন্তু লৈছে খুড়ীয়েকে । মালবিকাই কথবোৰ ভাবি খুড়ীয়েকলৈ মৰম লাগি গল । কথাবোৰ ভাবি ভাবি চিঠিখন পঢ়ি থাকোতেই এটা লাইনত চকু দুটা তাইৰ থৰ হৈ গল । খুড়ীয়েকে লিখিছে — "তোৰ অকলশৰীয়া জীৱনটোৰে তই কেনেকৈ আগবাঢ়িবি । তইতো নিজেই সমাজখন দেখিছই, আগৰ সেই বৰদেউতাই অঙহী বঙহী সকলোকে গোটাই নিজৰ কৰি খুউৱাৰ দিন আজি আৰু নাই । আজিৰ মানুহে কোনেও কাকো নাচায় । পাৰিলে অপকাৰহে কৰিব বিচাৰে । তই আকৌ বিয়া হৈ ল । ভাল হ'ৰা এটি আমিও চাইচো, তই পালেও আমাক কবি । কাৰণ লৰা ছোৱালী কেইটা ভৱিষ্যতৰ কথা আছে । মালবিকাৰ কথাবোৰ

কিবা ভাল নালাগিল ।

মালবিকাই এই কথাবোৰ অৰুপক কৈছিল, অৰুপে কোনো উত্তৰ দিয়া নাছিল মাত্ৰ করুণ চাৱনিৰে মালবিকালৈ চাইছিল। এনেকৈয়ে পাৰ হৈ গৈছিল মালবিকাৰ তিনিটা বছৰ। এই বছৰ কেইটাত মালবিকাই একো নতুনত্ব বিচাৰি পোৱা নাছিল। পাইছিল মাত্ৰ অভাৱ, অত্যাচাৰ, লাঞ্চনা মালবিকাৰ ধৈৰ্য্য হেৰাই গৈছিল, ৰাতি টোপনি নহা হৈছিল। সেই সময়বিলাকত দেউতাকলৈ সঘনে মনত পৰিছিল, কিজানি দেউতাক থকা হলে তাই অকনমান সকাহ পালেহেতেন। শৰীৰ মন সকলো দুৰ্বল হৈ পৰিছিল। কি কৰা উচিত কি কৰা অনুচিত এই সকলোবোৰ ভাৱি উৱাদিহ নোপোৱা হৈছিল।

শেষত যেন ভগৱানে মালবিকাৰ কান্দোন শুনিছিল। হঠাৎ এদিন দেউবাৰে অৰুণৰ মাক আহিছিল, আৰু অৰুপৰ লগত মালবিকাৰ বিয়া প্ৰস্তাৱ আগবঢ়াইছিল। মালবিকাই নিজৰ কানখনকে বিশ্বাস কৰিবলৈ টান পালে। তাই আচৰিত হৈ গৈছিল, তাতে অৰুপৰ দেউতাকো নাই। অৰুপৰ মাকে ভাবিবলৈ সময় দিছিল, কৈছিল সদায় কিমান কষ্ট কৰি থাকিবা ইফালে মাইকি মানুহ। মোৰ জীৱনটো মই বহু কষ্ট পাইছিলো গতিকে আকৌ মোৰে চকুৰ আগত মোৰ জীৱনৰ পুনৰাবৃত্তি চাবৰ মোৰ কোনো ধৰণৰ ইচ্ছা নাই। বিয়া হৈ গলে অৰুপে তোমাক একো দিব নোৱাৰিলেও সুখকণটো দিব পাৰিব, যিটো তোমাৰ বিশেষভাৱে প্ৰয়োজন।

মালবিকাই নিজকে বুজাব পৰা নাছিল, ই কেনেকৈ সম্ভৱ হব পাৰে। সম্ভৱ কিন্তু হৈছিল — মালবিকাই লৰা-ছোৱালী কেইটাৰ কথা ভাবিয়েই এদিন এই কথাত সমৰ্থন কৰিছিল। অৰুপ মালবিকাৰ বিয়া হৈ গৈছিল। কিন্তু অৰুপৰ লগত বিয়া হোৱাৰ পাছত মালবিকাক ৰঞ্জনৰ স্মৃতিয়ে যেন বেছিকৈ আমনি কৰিছিল। অৰুপ আৰু লৰা-ছোৱালী দুটাই নেদেখাকৈ মনে মনে কান্দিছিল। অৰুপে কিন্তু কথাটো ধৰিব পাৰিছিল। কোমল অন্তৰৰ অৰুপে মালবিকা আৰু ৰঞ্জনৰ ভালপোৱা নিজ চকুৰে দেখিছিল। সেয়ে অৰুপে মালবিকাক মাত্ৰ কৈছিল ৰঞ্জনলৈ মনত তোমাৰ সদায়েই পৰিব, পৰাটো স্বাভাৱিক কিন্তু তুমি এই ফুলকুমলীয়া লৰা-ছোৱালী দুটাৰ আগত তোমাৰ দুখ নেদেখুৱাবা। অৰুপৰ পৰা তাই ভবাতকৈ বহু বেছিকৈ মৰম চেনেহ পাইছিল।

মালবিকাৰ আকৌ এখন নতুন সংসাৰ অৰুপৰ লগত। দিনবোৰ গৈ আছিল ....।

টুইট .... টুইট ... টুইট ... কলিং বেলৰ শব্দত মালবিকাৰ সংযত উভতি আহিল। তাই বিচনাৰ পৰা উঠি আহি কাপোৰ কানিবোৰ ঠিক কৰি বাহিৰলৈ ওলাই আহিল। টেপটো যে কেতিয়া বন্ধ হৈ গৈছিল তাই কবই নোৱাৰিলে।

# টি. বি.

শ্ৰী নবীন দিহিঙ্গীয়া
বানিজ্য স্নাতক মহলাৰ প্ৰথম বাৰ্ষিক।

১

৮ বহাগ, বুধবাৰ, ৰমেনে বিচনাতে ভাবিছে আজি সি অফিচলৈ নাযায়। তাৰ গাটো ভাল লগা নাই। যোৱাকালি অফিচত বহি থাকোতে তাৰ গাটো জ্বৰ উঠিছিল। বুকুখনো এটা কোনও বৰ বিষ কাৰিছিল। অজিও জ্বৰ আৰু বিষটোৱে তাৰ লগ এৰা নাই। মাজে মাজে তাৰ জ্বৰ উঠে কিন্তু বুকুৰ বিষ নহয় এইবাৰ তাৰ বুকুত বিষ কৰিছে। বিষটো তাৰ যোৱাকালিতকৈ আজি বেছিহে হৈছে। অফিচ তাৰ তিনিচুকীয়াত সি ডিব্ৰুগড়ৰ পৰা অহা যোৱা কৰে। ঘৰত তাক থাকিবলৈ কৈছে যদিও সি বন্ধা বহা কৰা এলাহতে থাকি লোৱা নাই। বিশেষকৈ তিনিচুকীয়া লৈ অহা যোৱা কৰিবলৈ যান বহনৰ অসুবিধা নাই। সেইবাবে সি থাকি লোৱা নাই। অফিচত বিশেষ কামৰ ভিৰ নাই। সি আজি নগ'লেও হব। সি আজি অফিচলৈ নোযোৱাতুকে ঠিক কৰিলে। বুকুৰ বিষটোৱে বেচিকৈ চিকুট মাৰি ধৰিছে। বুকুখন গাৰুটোত ভেজা দি তলপেট কৰি শুই বিষটো কিছু উপশম পাবলৈ চেষ্টা কৰিলে। এনেতে মাকৰ মাতত সি চখ খোৱাদি খালে। ৰমেনে, তই আজি অফিচলৈ নাযাব নিকি ইমান দেৰিলৈকে শুই আছাহে মাকে ক'লে মাকক গাটো ভাল নাই আজি নাযাও বুলি সি পুনৰ তল পেট কৰি শুবলৈ ললে!

তাৰ বুকুখন কিয় বিষ হৈছে সি ভাবি পোৱা নাই। এবাৰ সি বল খেলোতে দুখ পোৱা মনত আছে। ডাক্তৰক দেখুৱাৰ ভিতৰৰি একো হোৱা নাই বুলি কিৰাছুটামান দৰৱ দিলে। দৰৱ খাই সি ভালও পালে তাৰ পিছত তাৰ বুকুত বিষ অনুভৱ কৰা নাই। কিন্তু যোৱা কালিৰ পৰা কিয় বিষ হৈছে। সি মনতে ভয়ও খালে। সি এবাৰ মেডিকেলত দেখাই অহাতুকে ভাল হব বুল ভাৱিলে।

ৰমেনে বিচনাৰ পৰা উঠি মুখ হাত ধুবলৈ বুলি টিউবেলৰ পাৰলৈ গল। মুখ ধুই অহাত মাকে তাক একাপ চাহ দি কলে তই অফিচলৈ নাযাৰ যদি মেডিকেললৈকে গৈ আহগৈ কি হৈছে ডাক্তৰক এবাৰ দেখাই আহ। মোৰ ভাত হলেই। গাটো জ্বৰ যদি গা-ধুব নালাগে। মাকে ভাত বাঢ়ি দিয়াত ৰমেনে খাই মেডিকেল লৈ গল। বাচত যাওঁতে সি ভাৱি গল। বুকুত বিষটো যদি এনেই নহৈ সচাঁকৈয়ে কিবা অচিন বেমাৰ হৈছে। কথাষাৰ ভাৱি তাৰ বুকুৰ খন বৰ জোৰকৈহে বিষাবলৈ ধৰিলে। সি চকুহুটা মুদি বাচৰ চিতত আউজি দিলে। বাছ আহি মেডিকেল পালেহি। সি বাছৰ পৰা নামি এখন ৰিক্সা লৈ প্ৰফেচৰ আদিত্য ফুকনৰ ঘৰলৈ গল। ইতিমধ্যে প্ৰফেচৰ ফুকনৰ বাটচাৰা ঘৰত মানুহে ঠাহ খাইছে। আজি কালি ডাক্তৰ সকলহে বেচি পইচা। প্ৰতি দিনাই বহুত ইনকাম। ৰমেনে মনতে ক'লে। ৰমেনে

ভিজিটিং ৰেজিষ্টাৰত নিজৰ নামটো লিখোৱালে বিশজনৰ পিছত। বহুত সময় বৰ লাগিব। সি সজাই থোৱা এখন চকীত বহিলে। সন্মুখতে থকা আলোচনী স্তূপৰ পৰা এখন আলোচনী টানি আনি লুটিয়ালে। প্ৰকৃততে তাৰ আলোচনীখন চোৱা হেপাহ নাই। মাথো সময়টো কটাব বাবেই সি আলোচনীখন পাত লুটিয়াই লুটিয়াই চকু ফুৰাই যাব ধৰিলে। কিছু সময় পিছত ৰমেন চেঁচিয়া বুলি এজনে মতাত সি আলোচনীখন আগৰ ঠাইত ৰাখি ভিতৰৰ ৰোগী চোৱা কমলৈ সোমাই গল।

প্ৰফেচাৰে তাৰ ৰোগৰ বিষয়ে কবলৈ কোৱাত সি কলে। প্ৰফেচৰ ফুকনে তাক এখন এক্সৰে কৰিবলৈ কলে আৰু এক্সৰে ৰিপট সহ পুনৰ আবেলিলৈ আহিবলৈ কলে। এক্সেৰে চাইজ শৰীৰ কোন দোখৰ ফটো তুলিব লাগিব এটা বিষয়ে লিখি ভাবত এক্সৰে ক্লিনিকলৈ ৰেফাৰ কৰি পঠালে। ৰমেনে কাগজখন লৈ ওলাই আহিল। সি ভাবত এক্সৰেত আহি কাগজখন দিয়াত কিছু সময় বহিবলৈ কলে। ৰমেনে দেখিলে ইয়াতু বহু মানুহ আছে। কিছু সময় পিছত ৰমেনৰ ফটো তুলিলে। ফটো চাৰ্জ ২০০ টকা লৈ ফটোগ্ৰাফাৰে ৰমেনক সুধিলে ফুকন চাৰৰ ঘৰত আৰু কিমান মানুহ আছে? ৰমেনে তেতিয়াহে বুজি পালে। তাক এক্সৰে কৰিবলৈ কিয় ভাবত এক্সৰেলৈ ৰেফাৰ কৰিছিল। আজি কালি ব্যৱসায় যুগ। শিক্ষাৰ লগে লগে ব্যৱসায় ক্ৰমবৰ্দ্ধমান।

আবেলি ১ বজাত এক্সৰে ৰিপট ৰমেনে পালে ৰিপটো চাই তাৰ সৰ্বশৰীৰ ভয়ত কঁপি উঠিল সি বাটত আহোঁতে যিদৰে ভাবিছিল সেইয়েহে হল। তাৰ টি বি হৈছে। ৰমেনৰ মনৰ ভাব ধৰিব পাৰি ফটোগ্ৰাফাৰে বেছি চিন্তিত নহবলৈ কলে আজি টি বি বৰ ডাঙৰ বেমাৰ নহয় ভাল দৰে আঁবাৰ কৰিলে কেই মাহমানতে ভাল হব। চিন্তা নকৰিব ৰমেন একো মাত নামাতি প্ৰফেচৰ ফুকনৰ ঘৰলৈ আহিল। তেতিয়াও ফুকনৰ ঘৰত মানুহ আছে। ৰমেনে এক্সৰেখন ফুকনক ভয়ে ভয়ে দিলেহি।

আদিতা ফুকনে ৰমেনৰ এক্সৰে ৰিপটটো চাই এক্সৰেখন ফ্ৰেমত দি লাইটৰ পোহৰত কিছু সময় চালে। বুধহয় ইজালট এক্স পাইছে। এক্সৰেখন ফ্ৰেমৰ পৰা আনি টেবুলত থৈ ৰমেনলৈ চালে। ৰমেনে ভয়ত কঁপিছে। কি হে ডেকালৰা এই বয়সতে টি বি কৰি ললি। মদ, ভাং, খাইছ ছাগে। ৰমেন নিমাত নিমাত কিয়? এতিয়া ভয় কৰিছ! মেডিকেল চিট লব লাগিব। আজি থাকিব পাৰিবি। ঘৰ কিমান দূৰত! ভয় কৰিব নালাগে ভাল হব মদ, ভাং এইবোৰ নাখাবি। ৰমেনৰ পৰা ঘৰৰ ঠিকনা লৈ ফুকনে কলে আজি বাকু চিটৰ নালাগে অহা কালিলৈ আহিবি। এই দৰে কেইটা লিখি পঠাইছো ঘৰত থোৱা পিছত খাবি। ৰমেনে হব ছাৰ বুলি কৈ প্ৰফেচৰ ফুকনৰ ঘৰৰ পৰা আহিল। কিশান মেডিকেল ষ্টোৰ পৰা দৰৱ কেইটালৈ ঘৰ পালেহি।

আহি পালিহি ৰমেন। ৰমেন নিমাত কিয় তইযে মতা নাই। তোৰ দেখুন চকু পানী উলাইছে। তাৰ চকু পানী দেখি মাকৰ চকুলো ওলাই আহিল।

মা মোৰ টি বি হৈছে। এইখন এক্সৰে আহি বিপট কি তোৰ টি বি হৈছে বুপাই মই থাকি

মখো । মাকে কান্দি পেলালে ।

বাপেকে আহি সুধিলে । কি তোৰ টি. বি হৈছে ? তই দেখুন মদ, পানী চিগাৰেট একো নাখাব । তথাপি তোৰ এই বেমাৰ হৈছে । বংশত আজিলৈকে এই বেমাৰ কাৰো হোৱা নাই । আজি তোৰ এই বেমাৰ । মাক, পুতেকক কন্দা দেখি বেছি দুখ পাব বুলি ভাবি বাপেকে কলে ভয় নকৰিবি । তোৰ বেমাৰ ভাল হব । তই দুখ নকৰিবি । মাক, তুমি যোৱা ইয়াক খাবলৈ দিয়াগৈ । বাপেকে কৈ বাহিৰলৈ ওলাই গল ।

ৰমেনে ভৰি হাত ধুই কাপোৰ কানি সলাই ভাত খাবলৈ ললে যদিও তাৰ খাবলৈ মন নগল । এটা অজান ভয়ত তাৰ হৃদয় কপিবলৈ ধৰিছে । সি হাত মুখ ধুই তাৰ বিচনালৈ আহিল । ডাক্তৰে পোক্সপখন চাই সি দৰব খাই বিচনাত শুই পৰিল । তাৰ টুপনি অহা নাই । তাৰ আজি বহু চিন্তাই মন আগুৰি ধৰিছে । কিয় এই বেমাৰ তাৰ হবলৈ পালে । সি দেউতাকে কোৱাৰ দৰে মদ, চিগাৰেট একো নাখাই । সি ডাক্তৰ বি ঘোষে লিখা "ৰোগৰ লক্ষন আৰু উৎপত্তি" সমন্ধীয় এখন অসমীয়া অনুবাদ কিতাপ আল-মাৰি পৰা ওলিয়াই পঢ়িবলৈ ললে । সি টি বি ৰোগটো চালে পঢ়ি জানিব পাৰিলে এই ৰোগ কেৱল মদ, ভাং, চিগাৰেট আদি কেৱলিৰ পৰা উৎপত্তি নহয় । অন্য ৰোগৰ কাৰণ-তো উৎপত্তি হয় । যি বিলাক মানুহে অধিক চিন্তা কৰে । সময় মতে খোৱা বোৱা নকৰে । বাহি বন্ধা জলাপোৱা খাই । তদুপৰি গেছট্ৰিক থাকিলেও এই ৰোগ হয় ।

ৰমেনে অতীতত হৈ যোৱা ঘটনাবোৰ মনত পেলাবলৈ ধৰিলে । সি মদ কেতিয়া খাইছিল, চিগাৰেট কেতিয়া খাইছিল, গেছট্ৰিক কেতিয়া হৈছিল ।

১২ বছৰ আগতে গেছট্ৰিক বেমাৰত এবাৰ মেডিকেলত আছিল । এই বেমাৰত সি প্ৰায় ৮ বছৰ মান বাৰুকৈয়ে ভুগিছিল । গেছট্ৰিক তাৰ কেনেকৈ হৈছিল । ৰমেনৰ ঘৰখন বৰ দুখীয়া ৰমেনে চাকৰি পোৱা পিছতেহে ঘৰ খনলৈ কিছু জীপ আহিছে । পাঁচটা লৰা ছোৱালী পোহ- পাল দিবলৈ দেউতাকৰ একমাত্ৰ সম্বল খেতি কৰা ৰূপিত মাটি কেইদৰা বাহিৰে অন্য উপাৰ্জনৰ উৎস নাছিল । তাকে বছৰি বছৰি বানপানীয়ে কৰা তাণ্ডৱলালাৰ বছৰৰ ভাত কেইটা যোগাৰ কৰিবলৈ অসমৰ্থ হৈছিল । সেইয়েহে সপ্তাহৰ দুদিন মান খালি পেটেই থাকিব লগীয়া হৈছিল । ৰমেনে আটাই কেইটা লৰা-ছোৱালী ভিতৰত ডাঙৰ । সি ডাঙৰ হৈ অহাৰ লগে লগে তাৰ ওপৰত দায়িত্ব আহিব ধৰিলে । কেতিয়াবা কেতিয়াবা ভায়েক ভনিয়েক হতঁক তাৰ ভাগৰ ভাত দি সি আধাপেটেই স্কুললৈ যাব লগা হৈছিল । এদিন খালি পেটেই স্কুললৈ যাওঁতে স্কুলত তাৰ পেটটো চকুট মাৰি ধৰিলে আৰু ক্ৰমান্বয়ে তাৰ পেট বিষ হবলৈ ধৰিলে । সি স্কুলৰ পৰা চুটিলৈ আহিল । পিছদিনা তাক মেডিকেলত ভৰ্ত্তি কৰিব লগা হৈছিল । ডাক্তৰে তাক গেছট্ৰিক হৈছে বুলি কলে । আৰু সেই বেমাৰত ৰমেনে ৮ বছৰ ধৰি ভুগিলে । হয়তু এতিয়াও সি সম্পুৰ্ণ আৰোগ্য হোৱা নাই ।

ৰমেনে মেট্ৰিক পাছ কৰি কলেজত নাম লগালে ঘৰৰ আৰ্থিক অনাটনৰ হেতু সি আচতে

নাম লগালে। এদিন সি প্ৰাইভেট টিউচন কৰি কৰি বি. এ. পাছ কৰিলে। সেইবাৰ ভাল লাগিল ৰমেনে এতিয়া এটা চাকৰি পাব আৰু ভায়েক দুটা আৰু ভনীয়েকক পঢ়াব পাৰিব। কিন্তু চাকৰি ক'ত পৰি আছে? ৰমেনে চাকৰি বাবে অজস্ৰ ইণ্টাৰভিউ দি যাব ধৰিলে। চাকৰি বেক নহলে নাপায়। ৰমেনৰ ভাগ্য এদিন উদয় হল। সি এটা চাকৰি যোগাৰ কৰি ললে। ইনচোৰেঞ্চ কোম্পানিত। প্ৰথমে সি ডিব্ৰুগড়তে জইণ্ট কৰিছিল। এতিয়া তিনিচুকীয়ালৈ বদলি কৰিলে। চাকৰি পোৱা দিনৰে পৰা ৰমেনৰ দায়িত্ব আগতকৈ বহুগুনে বাঢ়িল। ঘৰত প্ৰতিটো বস্তুৰে পৰা দুটা ভায়েকৰ আৰু ভনীয়েকৰ সাজ পোছাকে ধৰি পঢ়া-শুনা সকলোবোৰ সি ভায়েক ভনীয়েকক কোনো দিন বিমুখ কৰা নাই। সি পঢ়িব নোৱাৰিলে। গতিকে সিহঁতেই পঢ়ক। ৰমেনে চাকৰি পোৱা দিনৰে পৰা সিহঁতৰ গাওঁখনত খেতি একেবাৰে নোহোৱা হল। বছৰি বছৰি ব্ৰহ্মপুত্ৰ উভটনি পানীয়ে খেতি সমূলে নষ্ট কৰি পেলাইছে।

ৰমেনে ঈশ্বৰক ধন্যবাদ জনাই [illegible] চাকৰিটো পালে। নহলে সিহঁতৰ ঘৰখন [illegible] পৰিলে হেতেন! ভায়েক দুটা আৰু ভনীয়েকক পঢ়িব পাৰিলে হেতেন?

তাৰ বয়স হৈছে যদিও সি [illegible] পাতিব নোৱাৰে। ৰমেনে বিয়া পতা নাই [illegible] ঘৰখনৰ বাবে। এনে অতবোৰ চিন্তাই [illegible] মন সদায় ভাৰাক্ৰান্ত কৰি তুলে। [illegible] লিখন আজি এই ৰমেনেই টি বি [illegible] কালিলৈ সি মেডিকেলত ভৰ্তি হব লাগিব। মেডিকেলত সি কিমান দিন থাকিব লাগিব নাজানে। হয়তু বহুত দিন। সি কথাবে ভাৰি ভাৰি চকু দুটা মুদি দিলে টুপনি যাবলৈ। চকু মুদি সি আকৌ এবাৰ ভাৱিলে মোৰ [illegible] আৰু যে কত বোৰৰ একে কাৰণতে [illegible] হৈছে।

# ধাৰ বুজি খেও

Sri Bikram Payeng
H. S. 2nd year.

আৰম্ভনিতে :- ভুবনদেৱৰ জমিদাৰীত চিৰস্থাদাৰ লোৱা হব বুলি শুনি কামটো যেনেতেনে লোৱাৰ বাবে মনস্থ কৰি বীৰেন্দ্ৰ নামৰ যুৱক এজন ভুবনৰ কাষ চাপিল।

বীৰেন্দ্ৰৰ অহাৰ উদ্দেশ্য জানি ভুবনদেৱে কলে "ঠিক আছে, তুমি মোতকৈ বুদ্ধিমান এই কথা সাব্যস্ত কৰিব পাৰা যদি মই [illegible] কামত মকৰল কৰিম। এই বাবে তিনিটা [illegible] কৰিব লাগিব প্ৰথম কামটো হল-গাঁৱৰ [illegible] পৰমেশ্বৰ নামৰ মানুহ এজনে দুবছৰৰ আগতে মোৰ পৰা দশ মুদ্ৰা কৰ্জা হিচাপে লৈছিল কিন্তু সেই মুদ্ৰাখিনি আজিও দিয়া নাই। [illegible] সুত নোলোৱাকৈয়েই মুদ্ৰাখিনি তাক [illegible] হিচাপে দিছিলোঁ। এই মুদ্ৰাখিনি যেনেতেনে উদ্ধাৰ কৰিব লাগিব। এই কামটো কৰাৰ [illegible] তোমাক দ্বিতীয় কামটো কৰিবলৈ দিম।" [illegible]

বীৰেন্দ্ৰই জমিদাৰ ভুবনদেৱক [illegible]

"আপুনি অলপ সময়ৰ পাছত পৰমেশ্বৰৰ ঘৰলৈ আহক আপোনাৰ ধণ আদায় কৰি দিম ।" তাৰ পাছত বীৰেন্দ্ৰ পোনে পোনেই পৰমেশ্বৰৰ ঘৰলৈ গ'ল আৰু তাক ক'লে, "পৰমেশ্বৰজী, হঠাৎ এটা জৰুৰী কামত দুশ মুদ্ৰাৰ দৰকাৰ হৈছে । লাগিলে মাহে প্ৰতি দহ টকাকৈ সুত দিবলৈকো ৰাজী, কিন্তু মুদ্ৰা দুশ মোক এতিয়াই লাগে ।

সুতৰ লোভত পৰি পৰমেশ্বৰে তৎক্ষনাত বীৰেন্দ্ৰক মুদ্ৰা দুশ আনি দিলে আৰু ক'লে, "তুমি মুদ্ৰাখিনি গন্তি কৰি থাকা, মই কৰ্জা খতখন এতিয়াই লিখি আনিছোঁ ।" বীৰেন্দ্ৰই মুদ্ৰাখিনি গন্তি কৰি থাকোঁতেই ভূবন জমিদাৰ তাত ওলালাহি । ভূবনক দেখা পায়েই পৰমেশ্বৰ ভয়তে ভৰি সামৰা যেন হৈ পৰিল ।

বীৰেন্দ্ৰই ভূবনজমিদাৰক ক'লে, "এস। মই আচল কথাটো পাহৰিয়েই আছোঁ । মই মোৰ নিজৰ লেঠাত ইমানেই অস্থিৰ হৈ পৰিছো যে আপোনাৰ কৰ্জাৰ ধন উচুল কৰাৰ কথাটো সমুলি পাহৰি পেলাইছোঁ ।" এই বুলি কোৱাৰ পাছত পৰমেশ্বৰে তাক ধৰিবলৈ দিয়া মুদ্ৰা দুশ ভূবন জমিদাৰৰ হাতত দি ক'লে, "এয়া লওক মালিক, গন্তি কৰি লওক । ঠিক ঠিক মুদ্ৰা আছে ।

ভূবন জমিদাৰ তধাউৰি খোৱা যেন হ'ল পৰমেশ্বৰেক যেন ঢুকি ক'লে, "বীৰেন্দ্ৰ, মুদ্ৰাখিনি মই ভূবনজীৰ ধাৰ মাৰিবলৈহে জমা কৰি থৈছিলোঁ । পিছে তোমাৰ ইমান দৰকাৰৰ কথা শুনিহে তোমাক দিছিলোঁ। এতিয়া কিন্তু তোমাক দিবলৈ মোৰ ওচৰত আৰু মুদ্ৰা নাই ।" বীৰেন্দ্ৰই ক'লে "নালাগে বাৰু বেছি সুত দিলে ধন ধাৰলৈ দিয়া লোকৰ অভাৱ নহব ।" এই বুলি কৈ বীৰেন্দ্ৰয়ো জমিদাৰৰ পিছে পিছে গৈ থাকিল । তাৰ পাছত ভূবন জমিদাৰে বীৰেন্দ্ৰক ক'লে, "চোৱা এইখন গাঁৱতে মোৰ দুটা ঘৰ আছে । এটা ঘৰত দেখিছাই-আমি থাকোঁ ; আনটো ঘৰত সুৰেন নামৰ ভাড়াটীয়া এজন আছে ; কিন্তু মই বাৰে বাৰে কোৱা সত্বেও ঘৰটো এৰা নাই । মোৰ জী-জোঁৱাই আহিব আৰু সেই ঘৰটোতে থাকিব । এই দ্বিতীয় কামটোও সুকলমে কৰি দিয়াচোন ।"

বীৰেন্দ্ৰ সুৰেনৰ ঘৰলৈ গল আৰু সুৰেনৰ সৈতে কথা পাতি এই কথা বুজিলে যে ভূবন জমিদাৰে এই ঘৰ এৰি দিয়াৰ কথাত কিছু অবাইচ মাত মতাতহে সুৰেনো অকৰা হৈত উঠিছে ।

বীৰেন্দ্ৰই সুৰেনৰ সৈতে ভদ্ৰ ব্যৱহাৰ কৰি এক প্ৰকাৰে বন্ধুতা পতাই ললে। সুৰেনৰ লৰা ছোৱালীবিলাকক মিঠাই কিনি আনি খুৱালে । সুৰেনৰ লৰা ছোৱালীবিলাকে বীৰেন্দ্ৰক "মামা" বুলি মাতিবলৈ ধৰিলে ।

কেইদিনমানৰ পাছত বীৰেন্দ্ৰই সেইখন গাঁৱতে ঘৰ এটা ভাড়ালৈ ললে আৰু তাৰ পাছত এদিন ইকথা-সিকথাৰ মাজত সুৰেনক ক'লে, "এই ঘৰটো তোমালোকৰ কাৰণে ভাল নহয়, ঘৰটোত ভূত প্ৰেত আছে যেন পাইছো। এই খন গাঁৱতে হৰিৰাম মহাজনৰ ঘৰ এটা খালী হৈ পৰি আছে বলা তাত থাকিবাগৈ ।" ঘৰত ভূত প্ৰেত থকাৰ কথা শুনি সুৰেনৰ লৰা-ছোৱালী আৰু পৰিবাৰো গা চিকেহি মাৰি উঠিল । কিন্তু সুৰেনে ক'লে, "তোমাক বোধকৰোঁ ভূবন জমিদাৰে পঠালে । মই এই ঘৰ এৰি

নিধিওঁ"

বীৰেন্দ্ৰই কলে এৰি দিয়া - নিদিয়া তোমাৰ ইচ্ছা পিছে মই তোমালোকৰ ভালৰ কাৰণেই কৈছোঁ। এই বুলি কৈ আন দিনৰ দৰে সিদিনাও বীৰেন্দ্ৰই সকলোকে মিঠাই খাবলৈ দিলে ।

এই মিঠাই খিনিতে কিবা এবিধ বাগিয়াল বস্তু মিহলোৱা হৈছিল । মিঠাই খাই সুৰেনৰ সকলোটি অচেতন হৈ পৰিল আৰু বীৰেন্দ্ৰই আগতেই বন্দবস্ত কৰি থোৱা মতে গাড়ী এখনত উঠাই হৰিৰামৰ পৰা ভাড়ালৈ লোৱা ঘৰলৈ সুৰেন হতঁক বস্তু বাহনিৰে সৈতে লৈ গল ।

চেতনা ঘুৰাই পোৱাৰ পাছত সুৰেনে বুজি পালে যে এই কাণ্ড বীৰেন্দ্ৰৰ হতুৱাই ভূষণ জমিদাৰেই কৰোৱালে । গতিকে এতিয়া যে আৰু নিৰৰ্থক জঁপিয়াজপি কৰি একো লাভ নহব । ভালকৈ বুজিলে ।

ঘৰৰ দখল পুনৰ পাই ভূষণ জমিদাৰে বৰ ভাল পালে । তেওঁ বীৰেন্দ্ৰৰ শলাগ লৈ কলে, "এতিয়া তোমাৰ আৰু যিটি কাম বাকী থাকিল সেইটি হল জগতৰ আটাইকৈ কঠিন কাম । মই ওৰে জীৱন ধৰি চেষ্টা কৰিও এইটি কৰ্ম কৰিব পৰা নাই । কামটি হল মোৰ পৰিবাৰক মাত্ৰ চৌবিছটি ঘণ্টাৰ বাবে মৌন কৰি ৰখাৰ কাম । তেওঁৰ মুখখন বন্ধ কৰিবৰ মনেৰে মই তেওঁক গহনা কাপোৰ কানি আৰু চহৰ নগৰৰ মানা লোভৰ বস্তুৰ বাবে প্ৰলোভন দি চাইছে সকলো ব্যৰ্থ । এটি কামটি কৰিব পাৰিলেহে মই বুজি পাম তোমাৰ আচল সামৰ্থ্য ।

বীৰেন্দ্ৰই ভূষণ জমিদাৰৰ পৰিবাৰক কলেগৈ বাইদেউ এই তাবিজটো অতি প্ৰভা শীল তাবিজ । বাহুত ৰঙা সূতাৰে বান্ধি আপু যদি এদিন উপজি পুৱাৰ পৰা পাছদিন বোৱ পুৱালৈকে মৌনব্ৰতী হৈ থাকি পাৰে । আপোনা ধন-সোন ঐশ্বৰ্য্য মান সম্ভ্ৰমো দহো গুণে দ দীঘীয়া হব ।

ভূষন জমিদাৰৰ পৰিবাৰে বীৰেন্দ্ৰ কথাত কোনো গুৰুত্ব নিদিলে । কিন্তু অল পাছত কলে "ঠিক আছে তাবিজ এটা বা বান্ধিলে, বা এদিন এৰাতিৰ বাবে মৌব্ৰতী হলে যদি আমাৰ ভাল হয় হওক তেন্তে ।

ভূবন পৰিবাৰে এদিন এৰাতিৰ মৌনব্ৰ হৈ কটালে ভূষণ অতিপাত আচৰিত হল এনেহেন কঠিন কামটো বীৰেন্দ্ৰই যে কেনে হেলাবঙে সম্পাদন কৰিলে ভাবি তেওঁ বীৰেন্দ্ৰ সম্পৰ্কে কিছু ভীতহে হৈ উঠিল ।

ভূষন জমিদাৰে বীৰেন্দ্ৰক কলে, তু নিজক মোতকৈ বুধিয়ক বুলি যে ভাবিছা বু পাইছোঁ মই । পিছে কথা এটা মনত ৰাখি যে এইবোৰ কাম মইহে বুদ্ধি সত্তাৰে তোমা দ্বাৰা কৰাই লৈছোঁ । ফল লাভ নোহোৱা কোনো প্ৰকৃত বুদ্ধিমানে কোনো কাম নকৰে কেৱল তোমাকহে দেখিলোঁ । তাৰ ব্যতিক্ৰম যে কি নহওক তুমি নিজক মোতকৈ বুদ্ধিমা হিচাপে সাবাস্ত কৰিব পৰা নাই । গতি মই তোমাক কামত নলওঁ বুজি জানি থো

এই কথাত বীৰেন্দ্ৰ নদমিল । বীৰেন্দ্ৰ ভূষনক কলে, হজুৰ আপোনাৰ কথা শতক এশভাগেই সঁচা । কোনো প্ৰকৃত বুদ্ধিমা মানুহে নিজতকৈ বুদ্ধিমান কাৰোবাক কাম নোলোৱাই ভাল । মই যে আপোনাতকৈ বে

বুদ্ধিমান সেই কথা বুজি পায়েইতে মোক কামত লোৱা নাই আপুনি যদি এই কথা মানি লয় মোক আপোনা কাম আৰু নালাগে। সঁচা কথাক লুকাবলৈ পোনে শুছিয়ে ডুব মৰাৰ আৱশ্যকতা নাই।

ভূষনে কলে তোমাৰ কথাটোক মই মানি লৈছো। মোতকৈ বুদ্ধিমান টেঙৰক মই যে এইকো পধোই কামত নলওঁ মই আগৰে পৰাই স্থিৰ কৰিছিলো। তেতিয়া ঘৰৰ ভিতৰৰ পৰা ভূষন জমিদাৰৰ জীয়েক বিনীতা ওলাই আহিল আৰু দেউতাকক কলে দেউতা আপুনি আপোনাতকৈ বুদ্ধিমান কাৰোবাৰু বিচাৰি পালে মোৰে সৈতে তেওঁৰ যোৰা পাতি দিব বুলি কৈছে। এইবোৰ কামত বীৰেন্দ্ৰই বুদ্ধিমানী কৰি মোৰ পৰাও পৰামৰ্শ বুজিছিল আৰু সেইতে মযো এইবোৰ কাম কেনেকৈ কৰিব লাগিব কৈ দিছিলো তেওঁক। আৰু তাৰ আমাৰ দুয়োৰো বিয়াৰ প্ৰস্তাৱো বীৰেন্দ্ৰয়েই বুদ্ধিমানী কৰি মোক এতাত উথাপন কৰিছিল। গতিকে আপুনি এতিয়া এওঁৰ লগত মোৰ যোৰা পাতিব লাগে দেখোন।

দেউতাকৰ কথাৰ ধাৰ বুজি সেও দি বিনীতাই এই বিয়াত দেউতাকৰ পৰা সানন্দ সন্মতি আদায় কৰিছিল আৰু কিছু দিনৰ অন্তত বীৰেন্দ্ৰৰ সৈতে ঘৰ কৰি স্থায়ী জীৱন যাপন কৰিব।

---

# বোকাৰ পদুম

শ্ৰী পল্লৱ শৰ্ম্মা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ।

দীপক গগৈৰ ঘৰ যোৰহাটত। ঘৰত মাক বাপেক আৰু সি। এই কেইজনেই সিহঁতৰ পৰিয়াল। মাক বাপেকৰ বাবে সি আলাসৰ লাড়ু।

দীপকৰ বাপেকৰ নাম পদ্মনাথ গগৈ। পদ্মনাথ গগৈৰ নাম যোৰহাটৰ সকলোতে বিখ্যাত গাড়ীয়ে-মটৰে ঘৰে-বাৰীয়ে সকলোতে বিখ্যাত। সভা সমিতি সকলোতে তেওঁ আগশাৰীত স্থান পায়। যি বন সভাত তেওঁ আগশাৰীত স্থান নাপায়, যি ব্যক্তিয়ে তেওঁক সন্মান নকৰে, সেই সভা আৰু ব্যক্তিৰ ফালে আধা লাগে। সেইবাবে তেওঁলৈ সকলোৱে ভয় কৰে।

বৰ্তমান দীপক ক্লাছ নাইনত পঢ়ি আছে। পঢ়াত বৰ ভাল নহয় মধ্যমীয়া।

জীতু দীপকৰ সৰুৰে পৰা লগে গলে লগা বন্ধু। জীতু হঁতৰ ঘৰ দীপক হঁতৰ ঘৰৰ কাষতে অৱস্থিত। জীতু পঢ়াশুনাত ভাল। ক্লাছ টেষ্টৰ পৰা সি প্ৰথম স্থান পায় আহিছে। জীতু অকল পঢ়াশুনাত নহয়, খেল ধেমালিতো

আগবঢ়া স্কুলৰ বছেৰেকীয়া খেল ধেমালিত তাৰ নাম আগত থাকিবই ।

জীতুৰ মাকৰ বাহিৰে কোনো নাই । সৰু জুপুৰী ঘৰ এটাত মাক আৰু সি থাকে। মাকে আনৰ তাৰ ঘৰত কাম কৰি দুবেলা দুমুঠি খাই আছে। কেতিয়াবা দিনত খালে ৰাতি খাবলৈ নাথাকে । তেনেকৈয়ে শুই থাকে। জীতুৰ মনত সেইবাবে বৰ দুখ । সি মাকক কিবা এটা কাম কৰাৰ কথা কয় কিন্তু মাকে তাক পঢ়িবলৈ কয় ।

জীতুৱে একো নোখোৱাকৈয়ে স্কুললৈ যায়। ইফালে দীপকে গাড়ীত আৰামত বহি যায় । জীতুৰ কেইখনো কিতাপ নাই, স্কুলৰ মাষ্টৰ এজনে কিতাপ এখন আৰু বহী এখন কিনি দিছিল । তাৰেই সি স্কুললৈ যায় । কেতিয়াবা দীপকৰ পৰাও দুই এখন কিতাপ পঢ়িবলৈ নিয়ে ।

দীপক আৰু জীতুৰ মিলা মিতাক দীপকৰ দেউতাক পদ্মনাথ গগৈয়ে দেখিব নোৱাৰে । কাৰণ পদ্মনাথ গগৈৰ নিচিনা মানুহ এজনৰ লৰা ভিক্ষাৰী লৰা এটাৰ লগত ফুৰাটো অপমানৰ কথা। তেওঁ সিহঁতৰ এই মিল ভাঙিবলৈ বহুত চেষ্টা কৰিছিল কিন্তু ভাঙিব পৰা নাছিল ।

এদিন দুদিন কৈ দিন বিলাক গৈ থাকিল । দুয়োৰে মেট্ৰিক পৰীক্ষা ওচৰ পালেহি । দুয়ো পৰীক্ষা দিলে । কেইদিন মানৰ পাছত ৰিজাল্ট ওলাল । দীপকে ভাল নাম কৰি পাছ কৰিব নোৱাৰিলে কিন্তু জীতুৱে ভাল নাম কৰি পাছ কৰিলে ।

দীপক পাছ কৰা কথা শুনি ওচৰৰ পাজৰৰ সকলো মানুহ আহি দীপকৰ ঘৰত উপস্থিত হ'ল । গোটেই ৰাতি দীপকৰ ঘৰত পাৰ্টি চলিল । সকলোৰে মুখত দীপক পাছ কৰাৰ কথা । ইফালে জীতু দুৱাৰ মুখতে দীপক আহিব বুলি বাট চাই থাকিল ।

পদ্মনাথ গগৈয়ে দীপকক যোৰহাটৰ এখন ডাঙৰ কলেজত নাম লগাই দিলে। জীতু পইচাৰ অভাৱত ঘৰতেই থাকিল । এদিন দীপক জীতুহঁতৰ ঘৰলৈ আহি জীতুৰ মাকক কলে,

: খুৰী জীতুক মোৰ লগত হোষ্টেললৈ লৈ যাওঁ, তাতে সি মোৰ লগত পঢ়িব পাৰিব ।

জীতুৱে কিন্তু নাযাওঁ বুলি কলে, সি মাকক এৰি কেনিও যাব নোৱাৰে, কাৰণ তাৰ বাহিৰে মাকৰ আৰু কোনো নাই । দীপকে তাক নানা ধৰণে বুজাব ধৰিলে । কিন্তু মাকে তাক জোৰ কৰি দীপকৰ লগত পঠাই দিলে। দুয়োটাই একেলগে হোষ্টেলত থাকি বিজ্ঞান বিভাগত পঢ়িব ধৰিলে ।

কেইমাহ মানৰ পাছত এদিন দীপক আৰু জীতু এফালে থাকোতে দীপকে জীতুক কলে,
: ঐ জীতু মোৰ পেটটো বৰ বিষাইছে, তই অলপ ৰছোন, মই সেই ঘৰটোৰ পৰা দৰব এটা খাই আহিছো। এই বুলি কৈ দীপক ঘৰটোৰ ফালে লৰ দিলে। অলপ সময়ৰ পাছত দীপক ঘূৰি আহিলত জীতুৱে সুধিলে,
: ঐ দীপক তোৰ যে হঠাৎ পেটটো বিষাবলৈ আৰু সেই ঘৰটোত টো কোনো ডাক্তৰ নাথাকে, তই কি কৰি আহিলি, নে কিবা সেই ড্ৰাগচ্ লৈছ নেকি ।

: নহয় অ' তই এনেই সন্দেহ কৰিছ, মানুহৰ কিবা পেট নিবিষায় নেকি ? দীপকে কলে,

কেইদিন মানৰ পাছত এদিন জীতুৱে দীপকক কিবা ভাৱি থকা দেখি কলে,

: দীপক, মণ মাৰি কিয় বহি আছ । বল চিনেমা এখন চাই আহোঁ । দীপংকৰহতো ওলাইছে ।

: মই নাযাওঁ জীতু, তই যা মোৰ গাটো বৰ ভাল নহয় ।

বাৰু, তোৰ কি হৈছে একো ধৰিবই নোৱাৰি । চিনেমা চাই ঘূৰি আহি জীতুৱে দীপকক ৰূমত নেদেখি বিচাৰিবলৈ ধৰিলে । শেষত জীতুৱে দীপকক বিচাৰি বিচাৰি ৰাস্তালৈ ওলাই আহিল । সি ভাবিলে যে দীপকে এবাৰ পেট বিষাইছে বুলি ঘৰ এটালৈ লৰ মাৰিছিল, তালৈ এবাৰ গৈ চালে কি হয়, এই বুলি জীতু ঘৰটোৰ ফালে খোজ ললে । ঘৰটোৰ দুৱাৰ মুখ পায় দেখে যে ঘৰটোত দুৱাৰ খিৰিকি একো নাই । সি ভিতৰলৈ সোমাই গল আৰু ঘৰটোৰ পিছ-ফাল পালেগৈ । ঘৰটোৰ পিছফালে এটা সৰু ভগা জুপুৰি দেখি সি সেই ফালে আগ বাঢ়ি গল । দুৱাৰ মুখ পাই ভিতৰত দেখিলে যে দীপক আৰু কেইবাজনো লৰাই একেলগে ড্ৰাগচ্ খাই আছে । এই দৃশ্য দেখি জীতুৰ কান্দি দিবৰ মন গল । সি দীপকক তাৰ পৰা ধৰি লৈ আহিল । দীপকে তেতিয়া একো কৰহ নোৱাৰে ।

ইফালে পদ্মনাথ গগৈয়ে জীতুক দীপকে লৈ যোৱাৰ কথা গম পাই পিছদিনা হোষ্টেল পালেহি । আৰু দীপকক গা.ল পাৰি কবলৈ ধৰিলে ।

: তোক এই ভিক্ষাৰীটোক ইয়ালৈ আনিবলৈ কোনে কৈছিল । তোৰ নামত টকা লৈ তাৰ কামত খৰচ কৰি আছ । জীতুৱে তেতিয়া ৰূমৰ পৰা দৌৰি ওলাই আহিল । বাপেক গুচি যোৱাৰ পাছত জীতুৱে দীপকক কলে,

: দীপক মই আৰু নপঢ়ো । মোৰ কাৰনে তই দেউতাৰাৰ পৰা ইমান গালি শুনিলি ।

: নহয় জীতু তই মোৰ দেউতাক যিমান বেয়া বুলি ভাৱিছ, সিমান বেয়া নহয় । দেউতাৰ বাহিৰত যিমান খং ভিতৰত সিমান মৰমো আছে ।

: নহয় অ' দীপক, মই তোৰ দেউতাৰাই গালি পৰাৰ কাৰনে নপঢ়ো বুলি কোৱা নাই, মোৰ মালৈ বৰ মনত পৰি থাকে । সেই বাবে মই যাওঁ গৈ বুলি ভাৱিছো ।

: ঠিক আছে তই যাব খুজিছ যা, মইও তোৰ লগত যাম । তই গুচি গলে মোৰ ইয়াত মন নবহিব ।

: তই নোবোজ্ কিয় অ' দীপক ।

: নাই মই একো নোবোজো, তই গলে ময়ো তোৰ লগত যাম, সেইটো ঠিক ।

: বাৰু, তই জেদ জেদ ধৰিছ যেতিয়া মই নাযাওঁ, মোৰ কাৰণে তোৰ জীৱনটো নষ্ট হবলৈ নিদিওঁ ।

কেইদিন মানৰ পাছত —

: অই জীতু, দীপক ক্লাছ্ কৰিবলৈ নাহে নেকি । দীপংকৰে জীতুক সুধিলে ।

: আহিব । তাৰ কাম অলপ আ.ছ বুলি কৈছে ।

ক্লাছৰ শেষত জীতু ৰূমলৈ আহি দীপকক নেদেখি বিচাৰিবলৈ ধৰিলে । বাথৰূমৰ ভিতৰত দিপকৰ মাত শুনি গৈ দেখে যে দীপক মাটিত মাটিত বাগৰি ছটফটাই আছে । সি দীপকক ধৰি আদি ডাক্টৰৰ ওচৰলৈ লৈ গল । পিছদিনা সি দীপকৰ বাপেকক খবৰ দিবলৈ দীপকৰ ঘৰ

পালেহি। জীতুক দেখি দীপকৰ বাপেকে লগৰা কেইটাক কৈ তাক বাহিৰলৈ উলিয়াই দিলে। জীতুৱে চিঞৰি চিঞৰি কবলৈ ধৰিলে যে দীপকৰ অৱস্থা বেয়া। সি বেয়া সঙ্গত পৰি ড্ৰাগচ্ খাবলৈ লৈছে। আপোনি সোনকালে যাব লাগে। দীপকৰ মাকে এই কথা শুনি পদ্মনাথ গগৈ জীতুৰ লগত যাবলৈ মান্তি হ'ল। হস্পিতললৈ আহি পদ্মনাথ গগৈয়ে দীপকৰ অৱস্থা দেখি চহৰৰ ডাঙৰ ডাঙৰ ডাক্তৰ কেইজনক মাতি আনিলে। সকলো ডাক্তৰে ক'লে যে ঠিক সময়তেই দীপকক হস্পিতললৈ অনা হ'ল আৰু অলপ দেৰি হোৱা হ'লে দীপকক বচোৱা টান হৈ পৰিল হেঁতেন।

লাহে লাহে দীপক ভাল হৈ আহিল। এদিন হস্পিতলত জীতু আৰু দীপকে কথা পাতি থাকোতে পদ্মনাথ গগৈ সোমাই আহিল। জীতুৱে বাহিৰলৈ ওলাই যাবলৈ ধৰোঁতে পদ্মনাথ গগৈয়ে ক'লে,



:জীতু এইফালে আহ।

জীতু ওচৰ চাপি আহিল।

:মই তোক ভুল বুজিছিলো জীতু। তই দীপকৰ এই খবৰটো নিদিয়া হ'লে আজি কি হ'ল হেঁতেন। পদ্মনাথ গগৈয়ে জীতু গালি পৰা কাৰণে জীতুৰ ওচৰত ক্ষমা খুজিলে।

তেতিয়া জীতুৱে ক'লে,

:মই আপোনাৰ লৰাৰ নিছিনা। আপোনি মোক যি কৈছিল সেইবোৰ মই কেতিয়াবাই পাহৰি গলো।

পদ্মনাথ গগৈয়ে দীপক আৰু জীতুক সাৱতি ধৰিলে। তেওঁ দুয়োটাকে পঢ়োৱাৰ দায়িত্ব ললে আৰু জীতুৰ মাকক নিজৰ ঘৰলৈ লৈ আহিল।

সকলোৱে একেলগে এটা পৰিয়াল হিচাপে পদ্মনাথ গগৈৰ ঘৰত বাস কৰিবলৈ ধৰিলে।

# টেক্সি ড্ৰাইভাৰ

—ৰাজু ফুকন
দ্বাদশ শ্ৰেণী

'আবেলি ৬ বজাৰ লগে লগে পশ্চিম দিশত বেলিটো লাহে লাহে লুকাই যাব ধৰিলে। অসীমে তাৰ মালিকৰ এম্বেচাদৰ খন ৰৰ পৰা উলিয়াই পূব দিশৰ ষাষ্টাটোৱেদি মালিকৰ ঘৰলৈ যাত্ৰা কৰিলে। এই মালিক তাৰ বাবে দেৱতা স্বৰূপ ইয়াৰ কাৰণো আছে। যি দিনা তাৰ আপোন বুলিবলৈ কোনো নাছিল কালৰ গৰ্ভত সকলো হেৰাই গৈছিল সেই দিনাৰ পৰা সি এটা ভিক্ষাৰি হৈ গৈছিল চিনেমা হলৰ মুৰত বৈ যাব তাৰ আগত হাত পাতি দুবেলাৰ ভাত এবেলা খাই কটাইছিল। কিন্তু তাৰ ভাগ্যখন সিমান বেয়া নাছিল। এদিন সি ৫ বছৰ বয়সতে চিনেমা হলত লগ পাইছিল সেই দেৱতা জনক যি জনে ৫ বছৰ বয়সৰ পৰাই তাক তুলি তালি আজি এটা ডাঙৰ-দীঘল ডেকালৈ পৰিণত কৰিলে। এই মানুহ জনৰ ওচৰত সি সদায় ধৰুৱা। সেই দিনাৰ দৰে আজিও ভাড়া ছুটা যাইছিল। দুপৰীয়া হোটেলত ভাত পানী খাইও মালিকলৈ বুলি ৩০০ টকা সজতনে লৈ আহিছে। মালিকে এই বিষয়ে অসীমৰ পৰা কোনোদিন একো হিচাপ লোৱা নাই। সি যি দিয়ে তাতেই সন্তুষ্ট হয়। অসীমে মালিকক যিমান বিশ্বাস কৰে তাতকৈ মালিকে তাক বেছি বিশ্বাস কৰে। যি টেক্সি ড্ৰাইভাৰ কৰা ১২ কি ১৩ বছৰ হল গাড়ীৰ বিষয়ে তাৰ বহুত অভিজ্ঞতা সি কিন্তু মালিকৰ পৰা কোনো দিন মজুৰি লোৱা নাই। মালিকেই ওপযাচি তাক পইচা দিয়ে সি না বুলি কলেও জোৰ দি পকেটত গুজি দিয়ে তাৰ জ্ঞান ভাণ্ডাৰত কোনো দিন শিক্ষাৰ পোহৰ নপৰা কোমল মনটোৱে বুজি নাপায় এটি চাকৰ লৰাৰ প্ৰতি ইমান দয়া মৰম কোন জন মানুহে কৰিব। কেতিয়াবা তাৰ কোমলীয়া মনটোত চিন্তাৰ যতি পেলাই চায়। কাৰণ এটাই মাথো হব পাৰে মালিকৰ কোনো সন্তান নাই। তাৰো দুখ লাগে মালিকৰ এই অৱস্থাক চায়। এটি সন্তান হোৱা হলেও বহুত সুখেৰে ভৰি পৰিলে হেতেন এই বিশাল ৰাজ কাৰেংটো কিন্তু এই

বিষয়ে মালিক আৰু মালিকনীয়ে কোনো দিন মুখ ফুটাই দুখ কৰা নাই । দুখ কৰিও লাভ নাই জানে কাৰণেই । এই বিষয়ে তাৰো কৰণীয় একো নাই । এই কাৰণেই মালিকে চাগে অসীমক ইমান মৰম কৰে সি কেতিয়াবা ভাবি চায় যি দিনা তাৰ মালিক এই সোনৰ পৃথিবীখন এৰিব সেইদিনাৰ পৰা সিয়েইটো এই অগাধ সম্পত্তিৰ মালিক হব । আনদিনাৰ দৰে আজিও তাৰ এই কথাটো মনলৈ আহিছে । হঠাৎ তাৰ মনটো বৰ্ত্তমানলৈ ঘুৰি আহিল । ধেৎ সি এইবোৰ কি চিন্তা কৰিছে মালিক যিমান দিন জীয়াই থাকে সিমানে তাৰেই সৌভাগ্য । হঠাৎ তাৰ চকুৰ আগত এটা এক্সিডেণ্ট হৈ গ'ল। সি তৎক্ষনাত তাৰ গাড়ীখন ওচৰ চপাই নিলে আৰু তাৰ গাড়ীৰ ভিতৰৰ পৰাই দেখিলে তাৰ মালিকৰ নতুনকৈ কিনা মাৰুতি কাৰ খন এখন প্ৰকাণ্ড ট্ৰাকৰ তলত সোমায় চেপেতা হৈ গৈছে । সি গাড়িৰ ভিতৰৰ পৰা ওলাই আহি মাৰুতিখনৰ ভিতৰলৈ জুপি জুপি চাব ধৰিলে । মালিকনী ইতিমধ্যে এই সুন্দৰ পৃথিবী খন এৰি অন্য এখন নিৰ্জ্জন পৃথিবীলৈ যাত্ৰা কৰিলে । অসীম গৈ মালিকৰ ওলাই থকা ভৰি দুখনত চুব ধৰিলে । আৰু তাৰ দুই চকুত দুধাৰি গৰম গৰম লোতক বৈ আহিব ধৰিলে । মালিকে অসীমৰ হাত এখনত ধৰিলে আৰু কোনোমতে স্পষ্ট গিৰি কৈ যাব ধৰিলে-অসীম তয়েই আজিৰ পৰা মোৰ ঠাইত থাকি মোৰ সকলো কাম কাজ সুকুলামে চাবি তয়েই আজিৰ পৰা মোৰ এই অগাধ সম্পত্তিৰ মালিক । তই মোৰ চাকৰ নাছিলি তই মোৰ একমাত্ৰ ভৱিষ্যতৰ অবাস্তৱ সোনালী সপোনৰ ৰশ্মি আছিলি তোক এই বিলাক কথা খুলি কব লাগিছিল কিন্তু হাতত সময় নাছিল তই নিজে নিজে সকলো চম্ভালিবী মোৰ যাবৰ সময় হল তোক সকলো গটালো মই যাওঁ আহ। অসীমে সেই সময়ত কি কৰিব একোয়েই ভাবি নাপালে মাথো তাৰ চাৰিও ফালে কিছুমান মানুহ থিয় হৈ আছে । ট্ৰাক খনৰো ভিতৰত কোনো নাই সিহত হয়তো ভয়তে পলাল। কিছু সময়ৰ পাছতে পুলিচ আহিল আৰু ট্ৰাক খন গুচাই মৃতদেহ দুটা অসীমক চমজাই দিলে। অসীমে মৃতদেহ দুটা শ্মশানলৈ নি সেবা সংকাৰ কৰি অশান্ত মনেৰে সেই জনশূন্য ঘৰখনলৈ এটি মাথো প্ৰাণী হিচাপে আগবাঢ়িল—

সমাপ্ত

## কবিতা ঃ—

★ চাহ - শ্ৰমিক

★ ভাল মানুহ বিলাক এতিয়াও আছি পোৱা নাই ।

★ এটি শ্ৰদ্ধাঞ্জলী শ্বহীদলৈ

★ মধুৰ বচন

★ সপ্ৰীতি

★ প্ৰত্যুত্তৰ

★ অস্তিত্বৰ জন্ম

# কবিতা

শ্ৰী দ্বীপাঙ্কৰ ব্ৰহ্ম মোছাহাৰী
একাদশ শ্ৰেণী

## চাহ—শ্ৰমিক

কোনে তোৰ কপালত আঁকিলে
ৰঙা সেন্দুৰৰ কোট
শতাব্দীৰ ক্ৰীতদাস,
কঠোৰ শ্ৰমে আঁকি দিলে ভাগ্য চক্ৰ কপালত।
সমাজ সমাজৰ মূল অস্ত্ৰ
মেহনতিৰ সভ্যতা গঢ়ি
ৰাজভঢ়াল টনকীয়াল কৰি
আৰু তই ডিঙিত বৰণ কৰিল
শোষণৰ
অত্যাচাৰ,
প্ৰৱঞ্চনাৰ মালা ধাৰি
বন্দীতৰ।
কুলি, মজুতৰ, চাহ শ্ৰমিক আখ্যাৰে।

## 'ভাল মানুহ বিলাক এতিয়াও আহি পোৱা নাই'

দেৱৰঞ্জন ধৰ — বাংলা বিভাগ

তেওঁলোকে কৈছিল -
'ভাল মানুহ বিলাক এতিয়াও আহি পোৱা নাই'
কিন্তু,
ভাল মানুহ বিলাক এদিন আহিবই।
মোৰ মৃত দেহটোক চুমা খাই
পূব পিনে চাই দেখোঁ
আকাশত ৰক্তিম সূৰ্যৰ আভা।
ভাল মানুহ সকল আহিব এই বাটে দিয়েই
মই যোৱা নিশা নিজকে খুন কৰিলোঁ।
মাৰিলোঁ।
সি মোক উচটাই দিছিল
মোক নিজকে খুন কৰিবলৈ।
তাক মই হত্যা কৰি
তাৰ তেজৰে তুমবলি মুখত মই চুমা খাই,
চকুৰ লোতক পেলাই, চিঞৰি উঠিলোঁ।



শ্ৰী বিদীপ দুৱৰা
স্নাতক ২য় বাৰ্ষিক ।
( পুৱা )

## ঃ এটি শ্ৰদ্ধাঞ্জলী ঃ শ্বহীদলৈ

( জাতীয় শ্বহীদ প্ৰদীপ মহনৰ সোঁৱৰণত )

জাতীয় শ্বহীদ তোমাক স্বাগতম ;
ৰাখি গলা পৰিচয়
জাতীয় শ্বহীদ বুলি,
আপোন জীৱনক তুচ্ছজ্ঞান কৰি ॥
মহান তোমাৰ স্বদেশ প্ৰেম
কণ্টকময় পথত পোৱা
অবাঞ্চিত সংঘাট পাহৰি,
নিঃকণ্টক হওক তোমাৰ
অনাগত জীৱন যাত্ৰা ॥
জননীৰ মুকুতিৰ বাবেই
জলাঞ্জলী দিলা নিজৰ ভৰা যৌৱন,
তোমাক যে কৃতজ্ঞতা জনাবলৈ !
মোৰ যে ভাষাৰ কৰণি শূন্য ॥



## মধুৰ বচন

শ্ৰী ৰাজেশ কেশেৰা,
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক, ক শাখা

মধুৰ বচন যিসকলে কয়,
সিয়ে পায় সকলোৰে মৰম !
আদৰ মান তেওঁৰেই হই,
তেওঁ সংসাৰৰ হয় উপযোগী !
নম্ৰ ভাষাই সকলোকে শিকায়,
শত্ৰুকো কৰি তোলে মিত্ৰ !
এনে ভাষা কোৱা যাতে,
সকলোৰে হোৱা প্ৰশংসাৰ পাত্ৰ !
তিয়ঁহ তিতা হোৱা বাবেহে,
ডিঙিৰ পৰা কটা যায় !
কাউৰীয়ে মাতে কৰ্কশ মাত,
সকলোৰে অপ্ৰিয়তাৰ সন্মুখীন হয় !
কুলিয়ে মিঠা মাত মাতি,
বাগিছা কৰে গুৱনি !
মৌভৰা মিঠা মাতেৰে,
সকলোকে কৰে আকৰ্ষিত !
সেই কাৰণেই সকলোৱে কয়,
মধুৰ বচনে কৰে মন মোহিত !

× +

# সম্প্ৰীতি

চৈয়দ মুৱাজ্জম হুচেইন
উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক

সন্ধিয়া পৰতে
দূৰ দূৰণীতে
আজানৰ সুৰ এটি
উটি উটি আহে,
একেটি ক্ষণতে
তুলসীৰ তলতে
সিপাৰৰ গাওঁত
অলেখ চাকি জ্বলে ॥
মগৰিবৰ নামাজত
কোনে কৰে এবাদত
মুনাজাত কৰোতে
কাৰোবাৰ চকুলো সৰে
সভ্য মানুহৰ
বৰ্বৰ সমাজত
সচাঁ সকলো মানুহ যেন
কুশলে থাকে,
তুলসীৰ তলতে চাকি এটি জ্বলে ॥
গোসাঁইৰে ঘৰত
হিয়াৰে ভিতৰত
প্ৰণতি জনাওঁতে কাৰেনো
মানৱতাই আমনি কৰে,
অযোধ্যা আকাশৰ
নিষ্ঠুৰ অমানিশাত
নামাজ আৰু অৰ্চনাৰ যেন
এটি নিৰাপত্তা থাকে
আজানৰ সুৰ এটি উটি উটি আহে ॥

# "প্ৰত্যুত্তৰ"

শ্ৰী বিশ্বজিত দত্ত।
স্নাতক প্ৰথম বাৰ্ষিক

চন্দ্ৰমা কেতিয়া ডুব গ'ল
কলা ডাৱৰৰ মাজত ।
এইয়া দেখোন নিজান ৰাতি
বস্তিবোৰত দেখিছোঁ টিমিক-টামাক
আন্ধাৰৰ সৈতে যুঁজা পোহৰৰ চাকি ।
ৰিনিকি আহিছে সেইয়া প্ৰতিবাদৰ সুৰ —
কোনে কয় মই সংগীবিহীন ?
মোৰ কাষত এইয়া
একুৰা বঙা জুই ।
মোৰ শৰীৰত যে এখনি বস্ত্ৰও নাই !
এতিয়াও পৰিছে অহৰ্নিশে — হিম আৰু শীত
জাৰত ঠেৰেঙা লগা কোনো অচিন শিশুৰ
কুৰি শতিকাৰ নাঙঠ প্ৰতীক
ৰাতি পুৱাবলৈ সময় নাই
শুনিবা কাইলৈ জনতাৰ অশৃংখল কোলাহল
এতিয়া,
উল্কাৰ গতিৰে ধাবমান মোৰ হিয়া
তপত তেজৰ
গভীৰ নিশ্বাসত আজি
বিৰিঙিছে সৰ্ব্বশৰীৰত প্ৰচণ্ড সত্বা,
ৰঙা জুইকুৰা নুমাই যাব অলপতে
প্ৰচণ্ড হিমৰ কৱলত পৰি
এইয়া যে পাশৱিক কুমন্ত্ৰণা
কিন্তু
সময়ত বিচাৰিম মই
ইয়াৰ প্ৰত্যুত্তৰ ??

# অস্তিত্বৰ জন্ম

শ্ৰী ৰাজীৱ কুমাৰ নেওগ ।
স্নাতক দ্বিতীয় বাৰ্ষিক

মোৰ জন্ম হৈছিল —
মানৱতাৰ কালিমাসনা
এক দূষিত তেজৰ চেকুৰাত ।
তেজৰ লেকেটা গোন্ধত
মই হে পৰিলো
জড়তাৰ বান্ধেৰে ভৰা
এক পাশান শিলৰ দৰে ।
পোৱা আৰু নোপোৱাৰ বেদনাত
মোৰ অন্তৰাত্মাই
হাঁহাকাৰ কৰি আৰ্তনাদ কৰে ।
অবুজ বেদনা —
অব্যৰ্থ কল্পনাৰে ভৰা
এক মধুৰ জীৱনৰ জখলা
পাৰ হব পৰা শক্তি
মই আজি যোগাব পৰা নাই ।
জীৱনৰ প্ৰতিটো ক্ষণ আজি বন্দী হ'ল
অশ্ৰুৰে ভৰা বিশাল
বোৱতী নদীৰ সোঁতত ।
মোৰ বাবে আজি
জীৱনৰ সফলতাবোৰ,
কৃতকাৰ্যতাবোৰ
হ'ল পথৰ ধূসৰ আৱৰ্জনা ।...........................
প্ৰতিবাদৰ শব্দ আজি মোৰ
হৃদয়ৰ বন্ধে বন্ধে বাজি উঠে
কিন্তু, মই আজি
হৈ পৰিছো বাকবন্ধ
সঁজাৰ বন্দী পক্ষীৰ দৰে ।

# প্ৰতিবেদন ঃ—

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন —

১৯৬০ চনৰ কোনো এক শুভ মূহুৰ্ত্তত আমাৰ এই সৰু অনুষ্ঠানটি জন্ম হ'বৰে পৰা প্ৰতিবছৰে গতানুগতিক ভাবে ছাত্ৰ-ছাত্ৰীসকলৰ তথা মহাবিদ্যালয়ৰ বিভিন্ন গঠনমূলক কাম-কাজ সুচাৰুৰূপে পৰিচালিত কৰিবৰ বাবে 'ছাত্ৰ একতা সভা' নামৰ মহান সংগঠনটিয়ে আগভাগ লৈ আহিছে। তেনে এটা মহান সংগঠনৰ এটি কাৰ্য্যনিৰ্ব্বাহক পদত অধিষ্ঠিত হ'বলৈ পাই মই নিজকে ধন্য মানিছোঁ, লগতে যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে সহায় সহযোগিতা আগবঢ়াই তেখেতসকলক সেৱা কৰিবলৈ উৎসাহ-অনুপ্ৰেৰণাৰ দ্বাৰা মোক এই পদত অধিষ্ঠিত কৰিলে তাৰবাবে তেখেতসকলক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্য্যকালত সাধাৰণ সম্পাদক হিচাপে যি কাৰ্য্য কৰিব লাগে সেইখিনি সম্পাদন কৰাত মোৰ জ্ঞান বিশ্বাসেৰে অলপো ত্ৰুটি হোৱা নাই। তথাপি কিমান দূৰ পাৰদৰ্শিতা দেখুৱালো তাক আপোনালোকেই বিচাৰ কৰিব।

বিগত বছৰৰ দৰে এই বছৰো যোৱা ইং ফেব্ৰুৱাৰী পৰা ফেব্ৰুৱাৰী ৯৩ " তাৰিখলৈ আমাৰ মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। এই বছৰৰ সপ্তাহ কিন কিনীয়া বৰষুণৰ বাবে সপ্তাহৰ উৎসাহ-উদ্দীপনা তেনেই ম্লান কৰি পেলায়। পুৰা ৮ বজাত ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত ঘনশ্যাম অধিকাৰী দেৱে ৩০ তম মহাবিদ্যালয় সপ্তাহৰ পতাকা উত্তোলন কৰে। সপ্তাহৰ শেষৰ দিনটোত আনন্দ মধুৰ পৰিবেশত বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত চি ভি মিশ্ৰ দেৱে। লগতে মহাবিদ্যালয়ৰ শিক্ষা গুৰু সকলে প্ৰতিযোগী সকলৰ প্ৰতি বক্তব্য প্ৰদান কৰে।

যোৱা ইং ........................................ বহু সংখ্যক ছাত্ৰ ছাত্ৰী আৰু বিশিষ্ট অতিথিৰ উপস্থিতিত মহাবিদ্যালয়লৈ অহা নৱাগত ছাত্ৰ ছাত্ৰী সকলক আনুষ্ঠানিক ভাৱে আদৰণি জনোৱা হয় আৰু গধিয়ালৈ সাংস্কৃতিক অনুষ্ঠানো আয়োজ কৰা নহয়।

প্ৰায় ছয় বছৰৰ ধৰি আমাৰ মহাবিদ্যালয়ৰ স্থায়ী অধ্যক্ষ পদকলৈ হৈ থকা নানা ধৰণৰ আন্দোলন যোৱা ইং ১০ নভেম্বৰ ৯৩" তাৰিখে উচ্চ ন্যায়লয়ে শ্ৰীযুত মনমোহন দাস চাৰক

ৰামাৰ মহাবিদ্যালয়ত স্থায়ী অধ্যক্ষ পদত অধিষ্ঠিত কৰি এটা ডাঙৰ সমস্যাৰ অৱসান ঘটায়। শ্ৰী দাস চাৰক যোৱা ইং ২০ নভেম্বৰ ৯৩ তাৰিখে এক অভিনন্দন অনুষ্ঠানৰ যোগে তেওঁক বাদৰণি জনোৱা হয়।

স্থানীয় ডিব্ৰুগড় চৰকাৰী লৰাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মহম্মদ আবু তাহেৰ বাবে বহুদিনে কৰ্কট ৰোগত ভুগি অৱশেষত অসম চিকিৎসা মহাবিদ্যালয়ত ইহলীলা সম্বৰণ কৰে। যোৱা ইং ............তাৰিখে তেখেতৰ আত্মাৰ সদগতি কামনা কৰি এক মিনিট মৌনতাৰে এখন শোকসভা পতা হয়।

সদৌ শেষত কাৰ্যকালত বিভিন্ন দিশত সহায় সহযোগিতা তথা গঠনমূলক পৰামৰ্শ আগ বঢ়োৱাৰ বাবে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

তদুপৰি সকলো ফালৰ পৰা বিভিন্ন দিশত সহায় সহযোগিতা কৰি কৃতজ্ঞ কৰা শিক্ষাগুৰু সকল শ্ৰীযুত ঘনশ্যাম অধিকাৰী, শ্ৰীযুত ৰমা গগৈ শ্ৰীযুত ইমৰল হুছেইন, শ্ৰীযুত চৌহান লাল আগৰ-ৱালা, আৰু শ্ৰীযুক্তা কল্পনা খাউণ্ড বাইদেউৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰ'ম। মহাবিদ্যালয় সপ্তাহত দিনে নিশাই উঠি পৰি লাগি সহায় সহযোগিতা আগ বঢ়োৱাৰ বাবে, মহাবিদ্যালয়ৰ ছাত্ৰ শান্তনু চলিহা ৰাজ কোঁৱৰ, আব্দুল ৰাজিদ, সীমান্ত বৰুৱা আৰু আন অজ্ঞাত বন্ধুলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মই মোৰ প্ৰতিবেদন শেষ কৰাৰ আগ মুহূৰ্তত যোৱা অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ পৰি-প্ৰেক্ষিতত যিসকল শ্বহীদ হৈছিল সেইসকল শ্বহীদৰ প্ৰতি ভক্তিভৰা শ্ৰদ্ধাঞ্জলি আগবঢ়ালো আৰু তেখেত সকলৰ আত্মাৰ সদগতি কামনা কৰিলোঁ।

শেষত মোৰ কাৰ্যকালত জ্ঞাতে বা অজ্ঞাতে কিবা ভুল মজি কৰিছিলোঁ তাৰ বাবে শ্ৰইবিনিতে ক্ষমা বিচাৰি মোৰ সাধাৰণ সম্পাদক পদৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

মহাবিদ্যালয়ৰ ভৱিষ্যৎ উজ্জ্বলতাই মোৰ কাম্য।

— বেদান্ত বৰুৱা

সাধাৰণ সম্পাদক

## সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন —

প্ৰতিবেদনৰ আৰম্ভনিতে জন্মলব্ধ অধিকাৰ সাব্যস্ত কৰিবলৈ যৈ অন্যায় আৰু অবিচাৰৰ বিৰুদ্ধে নিজৰ মাতৃভূমিৰ বাবে যি সকলে নিজৰ বৰ্তমানবিলাক বিসৰ্জন দিলে সেই সকল বীৰ শ্বহীদক শ্ৰদ্ধাৰে সুঁৱৰিছো।

১৯৯২-৯৩ বৰ্ষৰ ডিঃ এইচঃ এচঃ কানৈ বাণিজ্য মহাবিদ্যালয় তথা ছাত্ৰ ছাত্ৰীসকলৰ উন্নতিৰ হকে যৎপৰোনাস্তি চেষ্টা চলাইছিলো। মহাবিদ্যালয়ত অনুষ্ঠিত যি কোনো উৎসৱ, অনুষ্ঠানত পূৰ্ণোদমে

অংশ গ্ৰহণ কৰিছিলো। মোৰ এই কালছোৱাত যিসকল শিক্ষাগুৰু, বন্ধু - বান্ধৱীয়ে সহায় সহযোগ আগবঢ়ালে তেওঁলোকসকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

সদৌ শেষত মোৰ অনভিজ্ঞ চিন্তাধাৰাৰে কৰা দোষ ত্ৰুটিৰ মাৰ্জনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো ।

শেষত ডিঃ এইচঃ এচঃ কানৈ বানিজ্য মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছো।

শ্ৰদ্ধাৰে —

— জয়ন্ত বড়া

সহঃ সাঃ সম্পাদক

## বহিঃ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন —

কানৈ বানিজ্য মহাবিদ্যালয়ৰ ১৯৯২-৯৩ চনৰ ছাত্ৰ একতা সভাৰ বহিঃ খেল বিভাগৰ সম্পাদক হিচাপে বিনা প্ৰতিদন্দিতাৰে নিৰ্বাচিত কৰি অভিজ্ঞতা অৰ্জন কৰিবলৈ সুবিধা দিয়াৰ বাবে আৰু এটি গুৰুত্বপুৰ্ণ বিভাগৰ দায়িত্ব পালনৰ সুবিধা দিয়াৰ বাবে সমুহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী লৈ জয় জয়তে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

বহিঃ খেল বিভাগৰ এটি গধুৰ দায়িত্ব লৈ পালন কৰিবলৈ যাওঁতে জানি বা নাজানি যিথিনি ভূল-ভ্ৰান্তি হৈছিল তাৰ বাবে কানৈ বানিজ্য মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুৰ ওচৰত ক্ষমা মাগিলো।

